

# ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট মন্ত্ৰীসকল


নৰেন্দ্ৰ মোডী


ৰাজনাথ সিং


ৰবি শংকৰ প্ৰসাদ


ৰামবিলাস পাচোৱান


ডা° হৰ্ষবৰ্দ্ধন


অনন্ত গীতে


সুষমা স্বৰাজ


নীতিন গাডকাৰী


স্মৃতি ইৰাণী


অনন্ত কুমাৰ


অৰুণ জেটলি


মন্ত্ৰীসকলৰ দপ্তৰসমূহ ২৫ পৃষ্ঠাত

ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট মন্ত্ৰীসকল



নৰেন্দ্ৰ সিং তোমৰ


থাৱৰ চান্দ গেহ্‌লট


ৰাধামোহন সিং


কালৰাজ মিশ্ৰ


নাজমা হেপ্‌তুল্লা


সদানন্দ গৌড়া



জুৱেল অ'ৰাম


হৰচিমৰত কৌৰ বাদল


মানেকা গান্ধী


ভেংকায়া নাইডু


উমা ভাৰতী


অশোক গজপতি ৰাজু

মন্ত্ৰীসকলৰ দপ্তৰসমূহ ২৫ পৃষ্ঠাত

# অন্বেষণ

প্ৰথম বছৰ, ষষ্ঠ সংখ্যা, জুলাই, ২০১৪ চন

## সূচীপত্ৰ

২ শ্ৰদ্ধাঞ্জলি : খগেন মহন্ত
৩ বিজ্ঞানৰ দৃষ্টিৰে ফুটবল
■ অভিজিত শৰ্মা বৰুৱা
৬ দেশ বিদেশৰ খবৰ
■ সংগ্ৰহ : কুশল গোস্বামী
১০ খবৰৰ লেছেৰি বোটলা
■ সংগ্ৰহ : জয়ন্ত ডেকা
১১ দেৱকান্ত বৰুৱা
■ প্ৰাঞ্জল তালুকদাৰ
১২ হোৱাইট হাউছ
■ নৱনীতা গোস্বামী
১৪ ত্ৰিভুজত ৰঙৰ খেল
■ কল্যাণী পাটগিৰী
১৫ সাধাৰণ জ্ঞানৰ সঁফুৰা
১৭ চে' গুৱেভাৰা
■ গায়ত্ৰী শইকীয়া
১৮ ৱায়াৰলেচ-ফাইডেলিটি (ৱাই-ফাই)
■ প্ৰহ্লাদ বড়া
২০ কুইজ
■ ধ্ৰুৱ শৰ্মা
২১ দা কাইট ৰানাৰ
■ নিশা দেৱী
২২ নাম্‌চি
■ সংগীতা দাস
২৩ চুড'কু
২৪ ভাৰতৰ ৰাজনৈতিক দল আৰু স্বীকৃতি
■ প্ৰণীতা দেৱী
২৬ গুৱাহাটীৰ ঐতিহ্যময় ভৱন
■ মিতালী ঠাকুৰীয়া
২৮ কেইটামান আন্তঃৰাষ্ট্ৰীয় সংস্থা
■ ৰুণিমা শৰ্মা
২৯ চমুকৈ ষ্টক বিনিময় বজাৰ
■ অপৰ্ণা দেৱী
৩০ মানসিক সামৰ্থ্য বিকাশ
■ ৰবীন্দ্ৰ বৰ্মন
৩২ সঘনাই মনলৈ অহা প্ৰশ্ন

**সহযোগী সম্পাদক** : পংকজ দত্ত

**উপ-সম্পাদক** : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত

**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী

**মূল্য : বিছ টকা**

**অংগসজ্জা আৰু বেটুপাত** : কুঞ্জৰ দাস

**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডা° নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# খগেন মহন্ত



বিশিষ্ট কণ্ঠশিল্পী খগেন মহন্তৰ জন্ম হৈছিল ১৯৪২ চনৰ ১৭ আগষ্টত নগাঁৱত। তেখেতৰ পিতৃ-মাতৃ আছিল ক্ৰমে হৰেন্দ্ৰনাথ মহন্ত আৰু লক্ষ্মীপ্ৰিয়া দেৱী। পিতৃ-মাতৃৰ পৰাই তেখেতে লোকসংগীতৰ আদিপাঠ গ্ৰহণ কৰিছিল। পৰম্পৰাগত থলুৱা বিহুগীত, বৰগীত, লোকগীত আদিক তেখেতে সুমধুৰ কণ্ঠেৰে এক নতুন মাত্ৰা প্ৰদান কৰিছিল। খগেন মহন্তৰ সংগীত জীৱন ১৫ বছৰ বয়সতে আৰম্ভ হয়। শ্বিলঙত এক সংগীতানুষ্ঠান পৰিৱেশন কৰি তেখেতে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাস আদি শিল্পীৰ সান্নিধ্যলৈ আহি তেখেতে লোকসংগীতৰ দিশত অধিক মনোনিবেশ কৰিবলৈ আৰম্ভ কৰে। গ্ৰামোফ'নত ৰেকৰ্ড হোৱা তেখেতৰ প্ৰথম গীত ১৯৬১ চনত আকাশবাণী গুৱাহাটীৰ জৰিয়তে সম্প্ৰচাৰিত হয়। কেইবাদশক জুৰি তেখেতে আকাশবাণীত বিহু, লোকগীত, বৰগীত, অকণিৰ গীত আদি পৰিৱেশন কৰে। 'মা আমি শদিয়ালৈ যামেই' তেখেতৰ এক স্মৰণীয় অকণিৰ গীত। তদুপৰি দিহিঙে-দিপাঙে ঘূৰি অসমীয়া বিহুগীতৰ মৰ্ম উদ্ধাৰ কৰি বিহুগীতৰ এক ধাৰা সৃষ্টি কৰিবলৈ তেখেত সক্ষম হয়। আধুনিক অসমীয়া সংগীততো তেখেতৰ সুকণ্ঠই খলকনি তুলিছিল। গীতিকাৰ কেশৱ মহন্তৰ ৰচনাৰে 'পাৰৰ পাখিত গাঁথি দিলোঁ', 'যায় অ' কানু বায় বেণু', 'কোনে আজি আবেলি' আদি গীতসমূহে শ্ৰোতাৰ হৃদয় জয় কৰে। লোকসংগীতৰ শিল্পী সহধৰ্মিনী অৰ্চনা মহন্তৰ সৈতে যুটি বান্ধি তেখেতে অবিস্মৰণীয় সংগীতেৰে মানুহৰ হৃদয় জয় কৰে। সংগীতৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে তেখেতে ১৯৮৮ চনত ফিল্ম ক্ৰাফ্‌ট বঁটা, ১৯৯২ চনত সংগীত নাটক অকাডেমি বঁটা, ১৯৯৪ চনত সংগীতাচাৰ্যৰ সন্মান লাভ কৰে।

চহা জীৱনৰ নানা বিষয়বস্তু, প্ৰকৃতিৰ ৰূপ ৰং আৰু জীৱনৰ চিৰন্তন অনুভূতিক গীতৰ মাজেৰে প্ৰকাশ কৰি যোৱা মহান শিল্পীজনাই চলিত বৰ্ষৰ বাৰ জুন তাৰিখে পাৰ্থিৱ দেহ ত্যাগ কৰে। এটা যুগৰ সৃষ্টি কৰি যোৱা লোকগীতৰ আজীৱন সাধক, বিহুগীতৰ মুকুটবিহীন সম্ৰাট খগেন মহন্ত আমাৰ মাজত সদায় জীয়াই থাকিব তেখেতৰ গানৰ মাজেৰে। ❖

বিশেষ নিবন্ধ

# বিজ্ঞানৰ দৃষ্টিৰে ফুটবল

■ অভিজিত শৰ্মা বৰুৱা

চাৰি বছৰৰ মূৰত অনুষ্ঠিত ২০১৪ চনৰ বিশ্বকাপ ফুটবল ইতিমধ্যে আৰম্ভ হৈছে আৰু ই দৰ্শকৰ মন মুহিবও ধৰিছে। এই মাহৰে মাজভাগত এই প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব আৰু অহা চাৰি বছৰ কোন দেশে ফুটবল-বিশ্বত ৰাজত্ব কৰিব, সেয়া পৰিষ্কাৰ হৈ যাব।

বিজ্ঞানৰ দৃষ্টিৰে চাবলৈ গ'লে ফুটবল হ'ল এবিধ 'স্ফিয়েৰ' বা গোলক। ই সাধাৰণতে তাৰ এক বা একাধিক অক্ষইদি ঘূৰি থাকে। যিহেতু বলটোত এক ঘূৰ্ণন গতি আছেই, সেইবাবে ই বায়ুৰ মাজেদি যাওঁতে সোঁ বা বাঁও দিশলৈ 'টাৰ্ণ' ল'ব পাৰে। ফুটবলটোৰ ওপৰত ক্ৰিয়া কৰা 'এৰ'ডাইনেমিক ড্ৰেগে' তাক এনে বিশেষত্ব প্ৰদান কৰে। 'এৰ'ডাইনেমিক ড্ৰেগ' বুলিলে আমি সাধাৰণতে এনে এক বল বুজো, যি বল ফুটবলটোৰে বায়ুৰ মাজেদি গতি কৰা বাবে, গতিৰ বিপৰীত দিশত সৃষ্টি হয়। ৰোণাল্ডো, মেছি, নেইমাৰ আদি বিখ্যাত খেলুৱৈসকলে যে তীব্ৰ গতিৰ ধেনুভিৰীয়া শ্বট লয়, সেয়া যাদু নহয়; বিজ্ঞানৰ সূত্ৰ প্ৰয়োগ কৰিয়েই এনে কাম সম্ভৱ হৈ উঠে।


ফুলবলটো গোটা নহয়। তাৰ ভিতৰখন ফোঁপোলা আৰু তাত বায়ু সোমাই থাকে। সেইবাবে তাৰ ঘনত্ব কম হয়। সেইবাবেই বায়ু বা বতাহে ফুটবলটোৰ ওপৰত যথেষ্ট ক্ৰিয়া কৰিব পাৰে। সুদক্ষ খেলুৱৈয়ে তাৰ সুবিধা লয়, অৰ্থাৎ বতাহৰ দিশ আৰু মানক তেওঁলোকে নিজৰ সুবিধামতে ব্যৱহাৰ কৰে। বতাহ নামাৰিলে খেলুৱৈয়ে ফুটবলক তীব্ৰ গতি প্ৰদান কৰি তেনেকৈ 'বেগী' বতাহ সৃষ্টি কৰি ল'ব পাৰে। তাৰ ফলত সৃষ্টি হোৱা এৰ'ডাইনেমিক ড্ৰেগৰ সুপৰিকল্পিত ব্যৱহাৰে বলটোৰ গতিপথ অসামান্য কৰি তোলে। তাৰ ফলত আমি দেখা পাওঁ যে বলটোৰে কোনো খেলুৱৈক অতিক্ৰম কৰি বেঁকা হৈ শূন্যতে 'টাৰ্ণ' লৈ হয়তো নেটত প্ৰৱেশ কৰিছে।

ফুটবল খেলা পথাৰখনৰ পৃষ্ঠ এনে হোৱা উচিত যাতে সেই পৃষ্ঠই খেলুৱৈসকলৰ ভৰি, অৰ্থাৎ বুটৰ লগত প্ৰয়োজনীয় পৰিমাণৰ ঘৰ্ষণ বল সৃষ্টি কৰিব পাৰে। সেয়া খুব কমো হ'ব নালাগে, আৰু বেছিও হ'ব নালাগে। দুয়োটা পৃষ্ঠৰ মাজৰ 'ঘৰ্ষণ গুণাংক' যদি কম হয়, তেন্তে কম ঘৰ্ষণ বলৰ সৃষ্টি হ'ব আৰু খেলুৱৈজন সঘনাই পিছলি পৰাৰ সম্ভাৱনা বেছি হ'ব। আনহাতে দুয়ো পৃষ্ঠৰ মাজত ঘৰ্ষণ গুণাংক বেছি হ'লেও খেলুৱৈৰ গতি কমি যায় আৰু বাগৰি পৰিলে খেলুৱৈজনে বেছি দুখ পায়।

কোনো খেলুৱৈয়ে ফুটবলটোৰ তলৰ ফালে এটা 'কিক' মাৰিলে, ফুটবলটোৱে যি পথ অতিক্ৰম কৰে সেয়া হ'ল অধিবৃত্তীয়। জোৰেৰে কিক মাৰিলে প্ৰথম অৱস্থাত বলটোৱে যথেষ্ট বেগ লাভ কৰে। সেই আদিবেগৰ বাবে ই ওপৰলৈ, অৰ্থাৎ উলম্ব দিশলৈ আৰু একে সময়তে সমুখৰ ফালে অৰ্থাৎ অনুভূমিক দিশলৈ আগবাঢ়ি যায়। বলটো ওপৰলৈ গ'লেও মাধ্যাকৰ্ষণ বলে বিপৰীত দিশত ক্ৰিয়া কৰি তাক অনবৰতে তললৈ টানি থাকে। ফলত উৰ্ধমুখী উলম্ব বেগ কমি কমি এটা সময়ত তাৰ মান শূন্য হৈ যায় আৰু তাৰ পিছ মুহূৰ্তৰপৰাই সি মাধ্যাকৰ্ষণ বলৰ প্ৰভাৱত তললৈ নামি আহিবলৈ আৰম্ভ কৰে। বলটোৰ অনুভূমিক গতিৰ ক্ষেত্ৰত কিন্তু বাধা দিবলৈ বায়ুৰ ঘৰ্ষণৰ বাহিৰে আন একো নাই। নিউটনৰ প্ৰথম সূত্ৰমতে সেই ঘৰ্ষণ নথকা হ'লে বলটো একে বেগত সমুখৰ ফালে গৈয়েই থাকিলেহেঁতেন। অৱশ্যে উৰ্ধমুখী উলম্ব বেগ নাইকিয়া হৈ যোৱা বাবে বলটো অলপ পাছত আহি মাটি পায়হি। তেতিয়া মাটিৰ লগতো বলটোৰ ঘৰ্ষণৰ সৃষ্টি হয় আৰু সেই ঘৰ্ষণ বলে অনুভূমিক দিশত বলটোৰ বেগ লাহে লাহে শূন্য কৰি তোলে।

যেতিয়া এজন খেলুৱৈয়ে ফুটবলটোত এটা কিক মাৰে তেতিয়া তেওঁ তিনিটা 'কাৰক' নিয়ন্ত্ৰণ কৰিব পাৰে। প্ৰথমটো হ'ল বলটোৱে লাভ কৰা বেগ, দ্বিতীয়তে তেওঁৰ ভৰিয়ে ফুটবলটোক আঘাত কৰাৰ

মুহূৰ্তত সেই বলে অনুভূমি দিশৰ লগত কৰা কোণ আৰু তৃতীয়তে বলটোত সৃষ্টি হোৱা ঘূৰ্ণন। বলটোৱে কোন



দিশত কেনেকৈ ঘূৰিছে, তাৰ ওপৰত নিৰ্ভৰ কৰি তাৰ গতিপথে এক নিৰ্দিষ্ট প্ৰকাৰ লাভ কৰে। আনহাতে প্ৰথম দুটা কাৰক—বলটোৰ বেগ আৰু 'কিক'ৰ কোণে তিনিটা কথা নিৰ্ণয় কৰে :

- ★ বলটো কিমান সময় বায়ুত থাকিব
- ★ বলটো কিমান ওপৰলৈ যাব আৰু সেই সৰ্বোচ্চ উচ্চতা পাবলৈ কিমান লাগিব
- ★ বলটো কিমান দূৰ যাব

এজন খেলুৱৈয়ে অনুভূমিক দিশ বা মাটিৰ লগত ৩০ ডিগ্ৰী, ৪৫ ডিগ্ৰী আৰু ৬০ ডিগ্ৰী কোণ কৰি ফুটবলটোত এটা কিক মাৰিলে আৰু তাৰ ফলত বলটোৱে প্ৰতি ছেকেণ্ডত ৯০ ফুট (বা ২৭.৪ মিটাৰ) গতিবেগ লাভ কৰিলে, বতাহৰ বাধা বা ক্ৰিয়া উপেক্ষা কৰি বলটোৰ ক্ষেত্ৰত এনে ধৰণৰ মানসমূহ লক্ষ্য কৰা যাব—

- ★ বলটো বায়ুত থকা সময় : ২.৮০ ছেকেণ্ড (৩০ ডিগ্ৰীত), ৪.৮৪ ছেকেণ্ড (৪৫ ডিগ্ৰীত)।
- ★ বলটোৱে অনুভূমিক দিশত অতিক্ৰম কৰা দূৰত্ব : ৬৬.৩ মিটাৰ/৭৬.৮ মিটাৰ/৬৬.৩ মিটাৰ।
- ★ বলটোৰ সৰ্বোচ্চ উচ্চতা : ১৮.২ মিটাৰ/৩৬.৫ মিটাৰ/৫৪.৫ মিটাৰ।
- ★ সৰ্বোচ্চ উচ্চতা লাভ কৰিবলৈ সময় : ১.৪ ছেকেণ্ড/১.৯৮ ছেকেণ্ড/২.৪২ ছেকেণ্ড।

খেলপথাৰত বিপক্ষ বা নিজৰ দলৰ কোন খেলুৱৈ কোন অৱস্থানত আছে, কিমান সময়ৰ পাছত বলটো কিমান দূৰ পালেগৈ তেওঁৰ দলৰ খেলুৱৈৰ বাবে সুবিধা হ'ব, সেইবোৰ হিচাপ কৰি কিক মৰা খেলুৱৈজনে বলৰ বেগ আৰু কিকৰ কোণ নিৰ্ণয় কৰি ল'ব লাগে। অভিজ্ঞ খেলুৱৈয়ে এই কাম নিজৰ অভিজ্ঞতাৰ পৰা নিমিষতে কৰে আৰু সেই সঠিক কোণ আৰু বেগত বলটো মাৰি পঠিয়ায়। কিক মৰাৰ দৰেই ফুটবল এটা যেতিয়া হাতেৰে থ্ৰ' কৰা যায়, তেতিয়া বলটোৰ এটা দিশত গতি দিয়া যায়। থ্ৰ' কৰাৰ সময়ত প্ৰয়োগ কৰা বলৰ বাবে ফুটবলটো আগৰ দৰেই অধিবৃত্তীয় পথেৰে ওপৰলৈ আৰু আগলৈ যায়। হিচাপ কৰি দেখা গৈছে যে খেলুৱৈজনে যদি বলটোক প্ৰতি ছেকেণ্ডত ৩০ মিটাৰ বেগ প্ৰদান কৰে আৰু ৪৫ ডিগ্ৰী কোণ কৰি বলটো থ্ৰ' কৰে, তেন্তে তেওঁ বলটোক ১০০ গজ দৈৰ্ঘ্যৰ এখন ফুটবল পথাৰ অতিক্ৰম কৰাই দিব পাৰিব।

ফুটবল খেল খেলাসকলৰ স্বাস্থ্য সাধাৰণতে ভাল হয়। ফুটবল এক পৰিশ্ৰমী খেল। সেইবাবে ফুটবল খেলুৱৈসকলৰ শৰীৰে যথেষ্ট 'কেলৰি' শক্তি খৰচ কৰিবলগীয়া হয়। গতিকে শৰীৰৰ অনাকাংক্ষিত স্থানত চৰ্বি জমা হ'বলৈ সুবিধা নাপায়। ফুটবল খেলোতে শৰীৰৰ প্ৰায় প্ৰতিটো অংশৰে ব্যায়াম সম্পন্ন হয়। গতিকে ই এক পূৰ্ণাংগ ব্যায়াম। সেইবাবে বহুতো চিকিৎসকে স্বাস্থ্য ৰক্ষাৰ বাবে অলপ ফুটবল খেলিবলৈ উপদেশ দিয়ে।

যেতিয়া এজন ফৰৱাৰ্ডে পূৰ্ণ গতিত আগবাঢ়ি অহা এজন বেকৰ লগত খুন্দা খায়, তেতিয়া তেওঁ মাধ্যাকৰ্ষণিক ত্বৰণৰ ফলত পাব পৰা বলতকৈও বেছি বল লাভ কৰে। অৰ্থাৎ তেওঁ অনুভৱ কৰা ত্বৰণৰ পৰিমাণ এজন মহাকাশচাৰীয়ে অৱতৰণ কৰোতে অনুভৱ কৰা ত্বৰণতকৈও বেছি। যেতিয়া দুজন খেলুৱৈয়ে হেড কৰিবলৈ গৈ মূৰে মূৰে খুন্দা খায়, তেতিয়া যিকোনো এজনৰ মূৰটোৱে যিমান দুখ পায়, সেয়া হ'ল ১২ ফুট ওপৰৰপৰা এটা ১৬ পাউণ্ডৰ বল আহি পৰিলে পোৱা আঘাতৰ সমান। যেতিয়া তীব্ৰ গতিৰে আগবাঢ়ি অহা

এজন খেলুৱৈয়ে ইফালৰপৰা তেওঁক 'টেকল' কৰিবলৈ অহা প্ৰতিপক্ষৰ এজন বেকৰ লগত খুন্দা খায়, তেন্তে দুয়োজনৰ মাজত এক টন পৰ্যন্ত বলৰ উদ্ভৱ হ'ব পাৰে। কিন্তু দুজন লোকে কেনেকৈ ২০০ পাউণ্ড বা এক টন পৰিমাণৰ বলৰ হেঁচা সহিব পাৰে? তাৰ উত্তৰ নিহিত হৈ আছে 'সংঘৰ্ষ' হৈ থকা সময়ৰ হিচাপত। আমি যি সংঘৰ্ষৰ কথা ক'লো, সেই সংঘৰ্ষ হয় এক ছেকেণ্ডৰো এক দশমাংশ সময়ৰ বাবে। ইমান কম সময়ৰ বাবেহে এই বল সৃষ্টি হয় বাবে তেওঁলোকৰ সাংঘাতিক একো ক্ষতি নহয়।

দুজন খেলুৱৈৰ মাজত সংঘৰ্ষ হ'লে খেলুৱৈজনৰ মাজত ভৰবেগৰ আদান-প্ৰদান হয়। যদি খুন্দা মৰা খেলুৱৈজনৰ ভৰ বেছি হয় আৰু তেওঁ যথেষ্ট বেগেৰে তুলনামূলকভাৱে কম ভৰৰ খেলুৱৈ এজনক খুন্দা মাৰে, তেন্তে খুন্দা খোৱা খেলুৱৈজন আক্ষৰিক অৰ্থতে উফৰি পৰিব পাৰে। আমি এটা সৰল হিচাপ কৰি দেখুৱাব পাৰো যে ডেৰশ কিল'গ্ৰাম ওজনৰ এজন খেলুৱৈয়ে যদি প্ৰতি ছেকেণ্ডত দহ মিটাৰ বেগেৰে ৭৫ কিল'গ্ৰাম ওজনৰ এজন ৰৈ থকা খেলুৱৈক খুন্দা মাৰে, তেন্তে খুন্দা খোৱা খেলুৱৈজনে ছেকেণ্ডত বিছ মিটাৰ গতি লাভ কৰিব, আৰু হয়তো ক'ৰবাত পৰিবগৈ। ভৰ বা ওজন বেছি হ'লে ভৰবেগো বেছি হয়। গতিকে শকত-আৱত চেহেৰাৰ খেলুৱৈ এজনক 'টেকল' কৰোতে সাৱধানেৰে আৰু বুদ্ধিৰে 'টেকল' কৰিব লাগে। নহ'লে নিজেহে আঘাত পোৱাৰ সম্ভাৱনা থাকে। পদাৰ্থবিজ্ঞানৰ জ্ঞান থকা দক্ষ ফুটবল প্ৰশিক্ষকসকলৰ মতে 'টেকল' কৰোতে যদি মাটিত দৃঢ়ভাৱে খোপনি পুতি, সামান্য হাউলি, কিন্তু মুখখন থিয়কৈ ৰাখি সেই কাম কৰা যায়, তেন্তে দেহটোৱে পাবলগীয়া শক্তিৰ কিছু অংশক মাটিলৈ 'ট্ৰেন্সমিট' কৰিব পৰা যায়। দেখা গৈছে যে পিঠিৰ মাংসপেশীত বা হাতৰ মণিবন্ধত সংঘাত বা ভৰবেগৰ শক্তি বহন কৰিলে দৈহিক ক্ষতি কম হোৱাৰ সম্ভাৱনা থাকে।


ফুটবল খেলোতে দেহৰ নিৰ্দিষ্ট স্থানত অলপ পেড বা তেনে ধৰণৰ সামগ্ৰী থাকিলে সেই আঘাত প্ৰত্যক্ষভাৱে দেহলৈ অহাৰ সলনি পেডত তাৰ কিছু অংশৰ বিতৰণ হ'ব আৰু তাৰ পাছতো পেডৰ দ্ৰব্য ভেদ কৰিহে সেই আঘাত দেহলৈ আহিব পাৰিব। সেইবাবে যন্ত্ৰণা কিছু হ'লেও কমিব। ❖

## ফুটবল সম্পৰ্কীয় কিছু অতিৰিক্ত গাণিতিক তথ্য

- ★ এজন ফৰৱাৰ্ডে আগবাঢ়ি অহা এজন বেকক অতিক্ৰম কৰিবৰ বাবে যেতিয়া তীক্ষ্ণ 'টাৰ্ণ' লয়, তেতিয়া তেওঁ নিজৰ ভৰিৰ সৰু গাঁঠিলৈ ৮০০ পাউণ্ড পৰিমাণৰ বল পঠিয়াই দিয়ে। যদি কোনোবাই দহ ছেকেণ্ডৰ বাবে এই পৰিমাণৰ বল লাভ কৰে, তেন্তে তেওঁ এখন জেট বিমানৰ সমান গতি লাভ কৰিব।
- ★ এজন ফুটবল খেলুৱৈ যেতিয়া তেওঁৰ সৰ্বোচ্চ গতিত বলটো লৈ আগুৱাই যায়, তেতিয়া তেওঁৰ বেগ হয় ছেকেণ্ডত প্ৰায় ৯.৮ মিটাৰ।
- ★ আমি যেতিয়া উত্তেজিত হৈ আৰু হৈ-হাল্লা কৰি ফুটবল খেল চাই থাকো, তেতিয়া আমি এক অশ্ব ক্ষমতাৰ এক সপ্তমাংশমান শক্তি খৰচ কৰো। দীৰ্ঘ দূৰত্বৰ দৌৰবিদ বা চাইকেল চালকসকলে কেবা ঘণ্টা জুৰি তিনি চতুৰ্থাংশ অশ্বক্ষমতা শক্তি খৰচ কৰি থাকিব পাৰে। কিন্তু ফুটবল খেলুৱৈসকলে কেই ছেকেণ্ডমানৰ বাবে পাঁচ অশ্বক্ষমতা পৰ্যন্ত শক্তি খৰচ কৰিব পাৰে।
- ★ এজন ফুটবল খেলুৱৈয়ে যেতিয়া এটা 'বুলেট পাছ' ৰিচিভ কৰে, তেতিয়া তেওঁ ০.৪৪ মেগনাম বন্দুক এটাৰপৰা ওলাই অহা চাৰিটা বুলেট ৰখোৱাৰ সমতুল্য কাম কৰে।

## দেশৰ সৰ্ববৃহৎ বিমান পৰিবাহী যুদ্ধ জাহাজ 'আই এন এছ বিক্ৰমাদিত্য'

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ১৪ জুন তাৰিখে দেশৰ সৰ্ববৃহৎ বিমানবাহক যুঁজাৰু জাহাজ আই এন এছ বিক্ৰমাদিত্যক দেশৰ নামত উৎসৰ্গা কৰে।




দেশৰ আটাইতকৈ ডাঙৰ বিমান পৰিবাহী এই যুদ্ধ জাহাজখনৰ ২০১৩ চনৰ ১৬ নৱেম্বৰত ভাৰতীয় নৌ বাহিনীত প্ৰৱেশ ঘটিছিল। জাহাজখন ২৮৪ মিটাৰ দীঘল আৰু ৬০ মিটাৰ বহল। জাহাজখনত মুঠ ২২টা ডেক আছে আৰু ১,৬০০ গৰাকী ব্যক্তি থাকিব পাৰে। এই বৃহৎ জাহাজখনৰ মুঠ ব্যয় প্ৰায় ৫৫০০ কোটি টকা।

## কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ সাতগৰাকী উত্তীৰ্ণ

যোৱা ১২ জুন তাৰিখে কেন্দ্ৰীয় লোকসেৱা আয়োগে অনুষ্ঠিত কৰা ২০১৩ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি অসমৰ সাতগৰাকী প্ৰাৰ্থীয়ে কৃতকাৰ্যতা লাভ কৰিছে। কৃতকাৰ্যতা লাভ কৰা অসমৰ প্ৰাৰ্থীসকলৰ ভিতৰত স্থানৰ ফালৰপৰা সিন্ধু শৰ্মাই ২১৩ নং, বন্দনা গগৈয়ে ৪১৩ নং, পংকজ ফুকনে ৪৪৭ নং, সিদ্ধাৰ্থ বুঢ়াগোহাঁয়ে ৫৭০ নং, অংকিতা লাহতিয়ে ৬৫৪ নং, বি ব্ৰহ্মবিদ্যাই ৮৪০ নং আৰু বন্দনা দেউৰীয়ে ১০৯৫ নং স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে অসমৰ ইবু সঞ্জীৱ গাৰ্গে যোৱা বছৰ উত্তীৰ্ণ হৈছিল যদিও এই বৰ্ষত আকৌ পৰীক্ষা দি ২৬৩ নং স্থানলৈ উন্নীত হ'বলৈ সক্ষম হয়। সৰ্বভাৰতীয় পৰ্যায়ত গৌৰৰ আগ্ৰৱালে শীৰ্ষস্থান দখল কৰিবলৈ সমৰ্থ হয়।

## সৰ্বকনিষ্ঠ মুখ্য কাৰ্যবাহী বিষয়া সুহাস গোপীনাথ

উৎসাহী কিশোৰ সুহাস গোপীনাথৰ ঘৰ মধ্যপ্ৰদেশৰ ইণ্ডোৰত। মাত্ৰ ১৪ বছৰ বয়সতে তেওঁ বাংগালুৰুত আৰম্ভ কৰিছিল তথ্য প্ৰযুক্তি সেৱাৰ কোম্পানী এটা। গ্ল'বেল ইনকৰ্প'ৰেছন নামৰ এই কোম্পানীটোৰ বৰ্তমান তেওঁ হৈছে মুখ্য কাৰ্যবাহী বিষয়া (C.E.O.)। এই সূত্ৰে তেওঁ পৰিগণিত হৈছে বিশ্বৰ সৰ্বকনিষ্ঠ চি.ই.অ' হিচাপে। মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক বিল গেটছৰ অনুপ্ৰেৰণাৰে তেওঁ আৰম্ভ কৰিছিল এই অভিনৱ যাত্ৰাৰ। বৰ্তমান ২৫ বছৰীয়া গোপীনাথ হৈছে কেইবা নিযুত ডলাৰৰ এই প্ৰসিদ্ধ কোম্পানীটোৰ স্বত্বাধিকাৰী। ভাৰতত তেওঁৰ কোম্পানীটোত ১৫০ জন লোকে কাম কৰাৰ বিপৰীতে বিদেশত আছে ৫০ জন কৰ্মচাৰী। ৱৰ্ল্ড ইক'নমিক ফ'ৰামৰো সদস্য গোপীনাথে লিমকা বুক অব্ ৱৰ্ল্ড ৰেকৰ্ডছতো ইতিমধ্যে স্থান লাভ কৰিছে।

## সুমিত্ৰা মহাজন লোকসভাৰ নতুন অধ্যক্ষা



ভাৰতীয় জনতা পাৰ্টিৰ প্ৰবীণ নেত্ৰী সুমিত্ৰা মহাজনক যোৱা ৬ জুন তাৰিখে সৰ্বসন্মতিক্ৰমে লোকসভাৰ অধ্যক্ষাৰূপে নিৰ্বাচিত কৰা হয়। লোকসভাৰ অধ্যক্ষাৰ পদত অধিষ্ঠিত হোৱা তেওঁ হৈছে দ্বিতীয়গৰাকী মহিলা। ৭১ বছৰীয়া মহাজন ইতিমধ্যে মধ্যপ্ৰদেশৰ ইণ্ডোৰৰপৰা সংসদলৈ ৮ বাৰ নিৰ্বাচিত হৈছে। মহাজনে ১৯৮৯ চনৰপৰা বৰ্তমানলৈকে লোকসভাৰ নিৰ্বাচনত এবাৰো পৰাজিত হোৱা নাই। তেওঁ ১৯৯৯-২০০৪ চনৰ

সময়ছোৱাত অটল বিহাৰী বাজপেয়ী মন্ত্ৰীসভাৰ ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী আছিল।


## মুম্বাইত মেট্ৰ’ ৰেল সেৱা আৰম্ভ

যোৱা ৮ জুন তাৰিখৰপৰা দেশৰ বাণিজ্যিক ৰাজধানীস্বৰূপ মুম্বাইত মেট্ৰ’ ৰেল সেৱা আৰম্ভ হয়। স্মৰণযোগ্য যে মুম্বাই মেট্ৰ’ ৰেল সেৱা পাব্লিক-প্ৰাইভেট পাৰ্টনাৰশ্বিপত (Public Private Partnership) নিৰ্মাণ হোৱা দেশৰ প্ৰথমটো মেট্ৰ’ ৰেল সেৱা। মুঠ ১২টা ষ্টেছনসম্বলিত এই পথছোৱাত মেট্ৰ’ সেৱা ৰাতিপুৱা ৫.৩০ বজাৰপৰা আৰম্ভ হৈ মাজনিশালৈ উপলব্ধ হ’ব। সদ্যহতে চাৰিটা দবাযুক্ত এই ৰেলত এটা দবাত আসনৰ সংখ্যা ৩৭৫ খন। সমগ্ৰ মুম্বাই মেট্ৰ’ প্ৰকল্প ২০২১ চনৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ কথা। ২৪৬.৫ কিল’মিটাৰ দৈৰ্ঘ্যৰ এই প্ৰকল্প নিৰ্মাণত সৰ্বমুঠ ২০,০০০ কোটি ব্যয় হ’ব।

## বন্তিআশা কাকতিলৈ পূৰ্বোত্তৰ হিন্দী অকাডেমিৰ সন্মান

অনুবাদ সাহিত্যলৈ আগবঢ়োৱা অসামান্য বৰঙণিৰ বাবে বিশিষ্ট অনুবাদিকা বন্তিআশা কাকতিক পূৰ্বোত্তৰ হিন্দী অকাডেমিয়ে আগবঢ়াইছে ‘ডাঃ মহাৰাজ কৃষ্ণ জৈন স্মৃতি’ সন্মান। বন্তিআশা কাকতিয়ে ইতিমধ্যে অসম আৰু আন ৰাজ্যৰ কেবাগৰাকীও প্ৰখ্যাত সাহিত্যিকৰ ৩০ খনতকৈ অধিক গ্ৰন্থ অসমীয়াৰপৰা হিন্দীলৈ আৰু হিন্দীৰপৰা অসমীয়ালৈ অনুবাদ কৰিছে।

## কেদাৰনাথ সিঙলৈ জ্ঞানপীঠ বঁটা



প্ৰখ্যাত হিন্দী কবি কেদাৰনাথ সিঙক ২০১৩ বৰ্ষৰ জ্ঞানপীঠ বঁটাৰ বাবে মনোনীত কৰা হৈছে। যোৱা ২০ জুন তাৰিখে জ্ঞানপীঠ বঁটা প্ৰদান সমিতিয়ে সিঙক উক্ত বঁটাৰ বাবে মনোনীত কৰাৰ কথা ঘোষণা কৰে। এই বঁটা লাভ কৰা তেওঁ হিন্দী সাহিত্যৰ দশমজন লেখক। ১৯৩৪ চনৰ ৭ জুলাইত উত্তৰ প্ৰদেশৰ বাল্লিয়া জিলাৰ ছাকিয়া নামৰ ঠাই এখনত তেওঁৰ জন্ম হৈছিল। গোৰখপুৰত তেওঁ এজন হিন্দী শিক্ষক হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল। তেওঁ নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰপৰা এগৰাকী অধ্যাপক হিচাপে চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰিছিল। মূলতঃ এগৰাকী জনপ্ৰিয় আধুনিক হিন্দী কবি সিঙৰ কবিতাৰ ভাষা অতি সহজ-সৰল। ৮০ বছৰীয়া সিঙৰ উল্লেখযোগ্য কবিতা সংকলনসমূহ হৈছে ক্ৰমে ‘অভি বিলকুল অভি’, ‘জমিন পক ৰহি হ্যে’, ‘য়াহাঁ সে দেখো’, ‘আকাল মে শাৰচ’, ‘বাঘ’, ‘টলষ্টয় অউৰ চাইকেল’। ১৯৮৯ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰা কেদাৰনাথ সিঙে কবিতাৰ উপৰি প্ৰবন্ধ আৰু গল্পও লিখে। উল্লেখ্য যে জ্ঞানপীঠ বঁটাত নগদ ১১ লাখ টকা আৰু এখন প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়।

## বিজ্ঞানী ড° সঞ্জয় ৰাজা ৰামলৈ ২০১৪ বৰ্ষৰ ‘ৱৰ্ল্ড ফুড এৱাৰ্ড’



২০১৪ চনৰ সন্মানীয় ‘ৱৰ্ল্ড ফুড প্ৰাইজ’ আগবঢ়োৱা হৈছে ভাৰতত জন্মগ্ৰহণ কৰা মাৰ্কিন বিজ্ঞানী ড° সঞ্জয় ৰাজাৰামলৈ। দুই লাখ পঞ্চাছ হাজাৰ মাৰ্কিন ডলাৰ অৰ্থসম্বলিত আগশাৰীৰ বঁটাটোৰ বাবে সঞ্জয় ৰাজাৰাম নিৰ্বাচিত হয় বিশ্বজুৰি ঘেঁহুৰ উৎপাদন বৃদ্ধিত আগবঢ়োৱা তেওঁৰ অবদানৰ বাবে। উল্লেখযোগ্য যে, সেউজ বিপ্লৱৰ পিছত সঞ্জয় ৰাজৰামে বিশ্বজুৰি ২০০ নিযুত টনতকৈও অধিক ঘেঁহু উৎপাদনত বৰঙণি যোগাইছিল। ঘেঁহুৰ নতুন নতুন বীজ প্ৰস্তুত কৰাত নাম থকা সঞ্জয় ৰাজাৰামে ৪৮০ বিধ নতুন ঘেঁহুৰ বীজ সৃষ্টি কৰি ৬ খন মহাদেশৰ ৫১ খন

দেশত খেতিৰ বাবে বিতৰণ কৰিছিল। সঞ্জয় ৰাজাৰামৰ এই নতুন প্ৰজাতিৰ ঘেঁহু বীজে উৎপাদনৰ ক্ষেত্ৰত পুৰণি বীজক পিছ পেলাই ব্যাপক সফলতা লাভ কৰে।

## তিনি শিল্পীক বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত যোৱা ২০ জুনত তেজপুৰত অনুষ্ঠিত কলাগুৰু বিষ্ণু ৰাভা দিৱসৰ কেন্দ্ৰীয় সভাত ২০১৪ বৰ্ষৰ 'বিষ্ণুৰাভা বঁটা' প্ৰদান কৰা হয়। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৪৫ সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰে এই অনুষ্ঠানৰ আয়োজন কৰিছিল। এই বৰ্ষৰ বাবে বঁটা লাভ কৰা ব্যক্তিকেইগৰাকী হ'ল— আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আলোকচিত্ৰ শিল্পী তেজপুৰৰ নলিনী বৰুৱা, বিশিষ্ট নৃত্যশিল্পী যোৰহাট টীয়কৰ আইমণি গগৈ আৰু গুৱাহাটী নিবাসী বিশিষ্ট ভাস্কৰ হেলা দাস। বঁটাসমূহ প্ৰদান কৰে মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱে। এই বঁটাত আছে এখন অংগবস্ত্ৰ, প্ৰশস্তি-পত্ৰ আৰু নগদ এক লাখ টকা।

## আইনৰ স্নাতকোত্তৰ পৰীক্ষাত শীৰ্ষত ৭৩ বছৰীয়া কুণ্ডনলাল

৭৩ বছৰ বয়সত আইনৰ পৰীক্ষাত অৱতীৰ্ণ হৈ ৭০০ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত শীৰ্ষস্থান অধিকাৰ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে কুণ্ডনলাল নামৰ ব্যক্তিগৰাকী। উত্তৰাখণ্ড মুক্ত বিশ্ববিদ্যালয়ৰপৰা আইনৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত তেওঁ অধ্যয়ন কৰিছিল। দূৰ শিক্ষা পদ্ধতিৰে আইনৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰা কুণ্ডনলালে প্ৰায় নিয়মিতভাৱে পঢ়া-শুনা কৰিছিল। অধ্যয়নশীল লালে ২০০ নম্বৰৰ ভিতৰত ১৮৫ নম্বৰ লাভ কৰি শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হৈছে। আইনৰ স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত এতিয়া তেওঁ ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী ল'বৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে।

## ভাৰতত আছে ১.৭৫ লাখ কোটিপতি পৰিয়াল

ভাৰতত দৰিদ্ৰৰ সংখ্যা বৃদ্ধিৰ অনুপাতে কোটিপতিৰ সংখ্যাও বৃদ্ধি পাইছে। আমেৰিকাৰ বষ্টন কনছাল্টিং গ্ৰুপে (Boston Consulting Group) প্ৰকাশ কৰা বাৰ্ষিক প্ৰতিবেদন অনুসৰি ২০১৩ চনত ভাৰতত থকা কোটিপতিৰ সংখ্যা হ'ল এক লাখ পয়সত্তৰ হাজাৰ জন। সমগ্ৰ বিশ্বৰ মুঠ পৰিয়ালৰ ১.১ শতাংশ পৰিয়াল কোটিপতি বুলি প্ৰতিবেদনখনত প্ৰকাশ পাইছে। এই তালিকাত প্ৰকাশ পোৱা মতে, আমেৰিকা যুক্তৰাজ্যত সৰ্বাধিক ৭১ লাখ কোটিপতি পৰিয়াল আছে। বিশ্বত কোটিপতিৰ ঘনত্বৰ তালিকাত প্ৰথম তিনিটা স্থানত আছে ক্ৰমে কাটাৰ (১০০০ জনৰ বিপৰীতে ১৭৫ জন কোটিপতি), ছুইজাৰলেণ্ড (১০০০ জন বিপৰীতে ১২৭ জন কোটিপতি) আৰু ছিংগাপুৰ (১০০০ জনৰ বিপৰীতে ১০০ জন কোটিপতি)।

## কেন্দ্ৰীয় লোকসেৱা আয়োগৰ নতুন নীতি

কেন্দ্ৰীয় লোকসেৱা আয়োগে (U.P.S.C.) অসামৰিক সেৱাৰ পৰীক্ষাৰ ক্ষেত্ৰত কেতবোৰ গুৰুত্বপূৰ্ণ নীতি-নিয়ম প্ৰচলনৰ ব্যৱস্থা কৰিছে। যোৱা ১ জুনত প্ৰকাশ কৰা অধিসূচনা অনুসৰি এই বছৰৰপৰা প্ৰাৰ্থীসকলে অতিৰিক্ত আৰু দুটা প্ৰচেষ্টাৰ সুযোগ আৰু সেই অনুক্ৰমে বয়সৰ সীমাৰ ক্ষেত্ৰত ৰেহাইৰ সুবিধা লাভ কৰিব। ২০১৪ চনৰ অসামৰিক পৰীক্ষাৰ বাবে ইউ.পি.এছ.চি.য়ে জাৰি কৰা এই অধিসূচনাত কোৱা হৈছে যে পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো যোগ্য প্ৰাৰ্থীয়ে পূৰ্বৰ চাৰিটা সুযোগৰ ঠাইত ছটা প্ৰচেষ্টা চলাব পাৰিব। একেদৰে এই বছৰৰপৰা সেই মতে বয়সৰ সীমাৰ ক্ষেত্ৰতো ৰেহাইৰ ব্যৱস্থা থাকিব। সৰ্বাধিক ৩২ বছৰ বয়সলৈ সন্মানীয় পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে সুবিধা লাভ কৰিব। বয়সৰ সৰ্বোচ্চ সীমা ৩২ বছৰ কৰা হৈছে যদিও অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীসকলে আৰু পাঁচ বছৰ ৰেহাই পাব। লগতে অন্যান্য পিছপৰা সম্প্ৰদায় (O.B.C.) প্ৰাৰ্থীসকলে তিনি বছৰ আৰু

১৯৮০ চনৰ ১ জানুৱাৰিৰপৰা ১৯৮৯ চনৰ ৩১ ডিছেম্বৰলৈ জম্মু আৰু কাশ্মীৰত বাস কৰাসকলে পাঁচ বছৰ ৰেহাই পাব।

## ভূগৰ্ভত পানীৰ সন্ধান

কানাডাৰ আলবেৰা বিশ্ববিদ্যালয়ৰ এটা গৱেষকৰ দলে বিশিষ্ট বিজ্ঞানী গ্ৰাহাম পিয়েৰছনৰ নেতৃত্বত কৰা গৱেষণাত এক আশ্চৰ্যকৰ তথ্য পোহৰলৈ আহিছে। বিজ্ঞানীৰ দলটোৱে প্ৰকাশ কৰিছে যে পৃথিৱীৰ উপৰিভাগৰপৰা ৪০০ৰপৰা ৬০০ কিল'মিটাৰ গভীৰতাত পানীৰ এক বৃহৎ ভাণ্ডাৰ আণৱিক ৰূপত জমা হৈ আছে। এই পানীৰ পৰিমাণ আমাৰ এতিয়ালৈ জ্ঞাত সকলো উৎসৰপৰা পোৱা পানীৰ পৰিমাণতকৈ বেছি হ'ব পাৰে।

এই পানীভাগ পৃথিৱীৰ মেগ্‌মাৰ ওপৰৰ তৰপ আৰু তলৰ তৰপটোৰ মাজত থকা ৰিংউডাইট (ringwoodite) নামৰ খনিজ পদাৰ্থবিধৰ বিশ্লেষণৰ পৰা পোহৰলৈ আহিছে। বিজ্ঞানীসকলে আশা কৰে যে এই অঞ্চলত হয়তো এনে খনিজ পদাৰ্থবোৰৰ ওচৰে-পাজৰে পানীৰে জীপাল অঞ্চলো আছে। কিন্তু সেই অঞ্চল কি ৰূপত আছে সেয়া নিশ্চিত নহয়। ❖

# ইৰাকৰ গৃহযুদ্ধ : চুন্নী উগ্ৰপন্থীৰ সন্ত্ৰাস

ইৰাকত মূলতঃ যোৱা ৭ জুন তাৰিখৰপৰা ছিয়া আৰু চুন্নী নামৰ দুটা মুছলিম সম্প্ৰদায়ৰ মাজত গৃহযুদ্ধ চলি আছে। দুয়োটা সম্প্ৰদায়ৰ মাজত গোড়ামি আৰু অসহিষ্ণুতা বাঢ়ি যোৱাৰ ফলস্বৰূপে মাজে মাজে বিবাদ লাগি থাকে। প্ৰকৃততে তেওঁলোকৰ মাজত লগা এই গৃহবিবাদ এহেজাৰ বছৰতকৈ পুৰণি। কিন্তু এহেজাৰ বছৰ ধৰি মধ্যপ্ৰাচ্যত ছিয়া-চুন্নীৰ মাজত যুঁজ চলি থকা নাই। ছোভিয়েট দেশ আৰু মাৰ্কিন যুক্তৰাজ্যৰ মাজত থকা শীতল যুদ্ধৰ অৱসানৰ পাছত হোৱা ঘটনাৱলীৰ পৰাহে প্ৰধানকৈ এই গৃহযুদ্ধৰ উদ্ভৱ হৈছে।

বৰ্তমান ইৰাকত সন্ত্ৰাস অব্যাহত ৰখা চুন্নী উগ্ৰপন্থী দলটো 'আইছিল' নামেৰে পৰিচিত। আল-কায়দাৰ সৈতে যোগাযোগ থকা আইছিল উগ্ৰপন্থীৰ মাৰাত্মক অভিযানে দেশখনৰ লগতে সমগ্ৰ বিশ্বতে তোলপাৰ লগাইছে। শেহতীয়াভাৱে আইছিল উগ্ৰপন্থীয়ে ১৭০০ জন ইৰাকী সৈন্যক হত্যা কৰিছে। চুন্নী উগ্ৰপন্থীয়ে ইৰাকৰ গুৰুত্বপূৰ্ণ চহৰ মছুল দখল কৰি বিখ্যাত 'কেম্প আনাকোণ্ডা' ঘেৰি ৰাখিছে।

ইৰাকৰ নেতা ছাদ্দাম হুছেইন চুন্নী আছিল। কিন্তু তেওঁ মনে-প্ৰাণে এজন জাতীয়তাবাদী আছিল। সেয়ে তেওঁৰ মন্ত্ৰীসভাত ছিয়া, খ্ৰীষ্টান আদিয়ে গুৰুত্বপূৰ্ণ বিষয়বাব পাইছিল। ছাদ্দাম হুছেইনে অতি কঠোৰ হাতেৰে ছিয়া-চুন্নীৰ বিবাদ দমন কৰি ৰাখিছিল। তেওঁৰ মৃত্যুৰ পিছত একাংশ প্ৰভাৱশালী নেতা আৰু বিদেশী শক্তিৰ ষড়যন্ত্ৰৰ বাবে লাহে লাহে চুন্নীসকল এলাগী হৈ অধিকাৰৰ পৰা বঞ্চিত হৈ পৰে। ক্ৰমে ছিয়া নেতাবোৰৰ প্ৰভাৱ বাঢ়ি আহিবলৈ ধৰে। আমেৰিকাৰ প্ৰভাৱো বৃদ্ধি পায়। বৰ্তমানৰ ৰাষ্ট্ৰপতি নুৰি আল-মালিকি এজন ছিয়া নেতা আৰু মাৰ্কিন ৰাষ্ট্ৰৰ ঘোৰ সমৰ্থক। তেওঁ চুন্নীসকলক নিস্তেজ কৰি ছিয়াৰ প্ৰাধান্য স্থাপন কৰিবলৈ চেষ্টা কৰাৰ ফলস্বৰূপেই ইৰাকৰ এই শেহতীয়া গৃহযুদ্ধ আৰম্ভ হৈছে।

এই গৃহযুদ্ধ দমনৰ বাবে আমেৰিকাই ৩০০ জন সেনা বিশেষজ্ঞক ইৰাকলৈ প্ৰেৰণ কৰিব বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰসংঘৰ মিছনে এখন ৰাষ্ট্ৰীয় জৰুৰীকালীন চৰকাৰ গঠন কৰিবলৈ দিয়া পৰামৰ্শ ৰাষ্ট্ৰপতি নুৰি আল-মালিকিয়ে অস্বীকাৰ কৰিছে। এনে পৰিস্থিতিত ইৰাকত থকা ২০,০০০ ভাৰতীয় লোকৰ জীৱনলৈও বিপদ নামি আহিছে।

**সংগ্ৰহ : কুশল গোস্বামী**

# খবৰৰ লেছেৰি বোটলা

**(২১ মে'ৰপৰা ২০ জুনলৈ)**

**২১ মে'** : উৰিষ্যাৰ মুখ্যমন্ত্ৰী হিচাপে চতুৰ্থবাৰলৈ শপত গ্ৰহণ নবীন পাটনায়কৰ।

- একেৰাহে পঞ্চমবাৰলৈ ছিকিমৰ মুখ্যমন্ত্ৰী হ'ল পবন ছামলিং।

**২৪ মে'** : থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী য়িংলাক শ্বিনাৱাত্ৰাক সামৰিক বাহিনীৰদ্বাৰা গ্ৰেপ্তাৰ।

**২৬ মে'** : ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোডীৰ শপত গ্ৰহণ।

**২৯ মে'** : আফ্ৰিকান-আমেৰিকান কবি, সাহিত্যিক মায়া আংগেলৰ দেহাৱসান।

**২ জুন** : ভাৰতৰ ২৯ সংখ্যক ৰাজ্যৰূপে স্বীকৃত তেলেংগানাৰ মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰে কে কে চন্দ্ৰশেখৰ ৰাওৱে।

**৩ জুন** : কেন্দ্ৰীয় মন্ত্ৰী গোপীনাথ মুণ্ডেৰ দুৰ্ঘটনাত মৃত্যু।

**৪ জুন** : ষষ্ঠদশ লোকসভাৰ অধ্যক্ষাৰূপে নিৰ্বাচিত হয় বিজেপিৰ সুমিত্ৰা মহাজন।

**৫ জুন** : চিৰিয়াত তৃতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত আচাদ।

- ২০১৪ চনৰ দক্ষিণ আফ্ৰিকাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে এবি দে ভিলিয়াৰ্ছে।

**৭ জুন** : বিশিষ্ট অনুবাদিকা বন্তি আশা কাকতিলৈ পূৰ্বোত্তৰ হিন্দী একাডেমিৰ সন্মান।

**৮ জুন** : মুম্বাইত মেট্ৰ' ৰেল সেৱা আৰম্ভ।

- গুৱাহাটীৰ জিলা পুথিভঁৰালত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ।
- যুদ্ধ বিধ্বস্ত ইউক্ৰেইনৰ নতুন ৰাষ্ট্ৰপতি পেট্ৰ'পাৰ শ্বেংকৰ শপত গ্ৰহণ।
- দেশৰ নতুন মহান্যায়াধিকৰ্তা হিচাপে নিযুক্ত হ'ল ৰঞ্জিত কুমাৰ।
- ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল অল ছিছিৰ শপত গ্ৰহণ।

**৯ জুন** : ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা হিচাপে নিৰ্বাচিত গুলাম নবী আজাদ। ৰাজ্যসভাৰ নেতা হিচাপে নিৰ্বাচিত বিত্তমন্ত্ৰী অৰুণ জেটলি।

**১২ জুন** : বিশিষ্ট সংগীতজ্ঞ খগেন মহন্তৰ মৃত্যু।

- পেলেৰ দেশ ব্ৰাজিলত বিশ্বকাপ ফুটবল আৰম্ভ।

**১৩ জুন** : এছিয়া বুক অব ৰেকৰ্ডত স্থান লাভ লখিমপুৰৰ বিমল দাসৰ। (২৪ ঘণ্টাত ১৯৬ কিল'মিটাৰ খালী ভৰিৰে দৌৰি অতিক্ৰম কৰাৰ বাবে।)

- গুজৰাটৰ নৰ্মদা নদীবান্ধৰ উচ্চতা প্ৰায় ১৭ মিটাৰ বৃদ্ধি কৰাৰ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ।
- বিশিষ্ট বঙালী ঔপন্যাসিক, চিত্ৰ নাট্যকাৰ শক্তিপদ ৰাজগুৰুৰ মৃত্যু।
- বিশ্বকাপত আত্মঘাতী গ'ল দিয়ে ব্ৰাজিলৰ খেলুৱৈ মাৰ্চেলে। বিশ্বকাপৰ ইতিহাসত এয়া হৈছে ৩৭ সংখ্যক আত্মঘাতী গ'ল।

**১৪ জুন** : দেশৰ সৰ্ববৃহৎ বিমান বাহক যুঁজাৰু জাহাজ আই এন এছ বিক্ৰমাদিত্যক দেশৰ বাবে উছৰ্গা।

- ভাৰতীয় স্পীনাৰ মুৰলী কাৰ্তিকৰ অৱসৰ গ্ৰহণ।

**১৫ জুন** : ইৰাকত ভয়ংকৰ পৰিস্থিতি; আইছিল সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰিলে ১৭০০ ইৰাকী সেনাক।

**১৬ জুন** : বিশ্বকাপত জাৰ্মানীৰ খেলুৱৈ মুলাৰৰ হেইট্ৰিক পৰ্তুগালৰ বিৰুদ্ধে।

**১৭ জুন** : দেশৰ প্ৰথমখন কেৰাচিন মুক্ত চহৰ হ'ল ৰাজধানী দিল্লী।

**১৮ জুন** : মালয়েছিয়াৰ মাজসাগৰৰ নাও ডুবি ৬৬ জন যাত্ৰীৰ মৃত্যু।

**১৯ জুন** : বিশ্বজুৰি ঘেঁহু উৎপাদনত আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি—ভাৰতত জন্মগ্ৰহণ কৰা বিজ্ঞানী ড° সঞ্জয় ৰাজাৰামলৈ ২০১৪ চনৰ বিশ্ব খাদ্য বঁটা।

**২০ জুন** : বিশিষ্ট হিন্দী কবি কেদাৰনাথ সিঙলৈ ২০১৩ বৰ্ষৰ জ্ঞানপীঠ বঁটা।

**সংগ্ৰহ : জয়ন্ত ডেকা**

# দেৱকান্ত বৰুৱা

**■ প্ৰাঞ্জল তালুকদাৰ**

দেৱকান্ত বৰুৱা (১৯১৪-৯৬) একাধাৰে কবি, সাংবাদিক, ৰাজনীতিবিদ আৰু এজন অধ্যয়নশীল পণ্ডিত আছিল। অতি কমসংখ্যক কবিতা লিখিও অসমীয়া ৰোমাণ্টিক কবিতাৰ জগতত তেওঁ খলকনি তুলিবলৈ সক্ষম হৈছিল। নগাঁও আৰু কাশী বিশ্ববিদ্যালয়ৰপৰা স্কুলীয়া আৰু উচ্চশিক্ষা লাভ কৰা দেৱকান্ত বৰুৱা 'দৈনিক অসমীয়া' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। বিভিন্ন সময়ত তেওঁ ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি, সাংসদ, কেন্দ্ৰীয় মন্ত্ৰী, বিধানসভাৰ অধ্যক্ষ, অসমৰ শিক্ষামন্ত্ৰী আৰু বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ একমাত্ৰ কবিতাৰ সংকলন 'সাগৰ দেখিছা' (১৯৪৮)। 'সাগৰ দেখিছা'ৰ জৰিয়তে কবিগৰাকীয়ে বিপুল জনপ্ৰিয়তা আৰু খ্যাতি লাভ কৰে। তেওঁৰ কবিতাৰ জৰিয়তে অসমীয়া ৰোমাণ্টিক কবিতাৰ এক নতুন পৰ্ব মুকলি হয়। দেশী-বিদেশী বহু কবিৰ কবিতা অধ্যয়নৰে পুষ্ট বৰুৱাৰ কবিতাৰ শব্দচয়নৰ মাধুৰ্য চকুতলগা। দেৱকান্ত বৰুৱাৰ কবিতাত দেখা পোৱা নাটকীয় একোক্তিক (dramatic monologue) সমালোচকসকলে বিখ্যাত কবি ৰবাৰ্ট ব্ৰাউনিঙৰ (Robert Browning) প্ৰভাৱ বুলি কৈছে। 'সাগৰ দেখিছা', 'কলংপাৰত মাজনিশা', 'অসাৰ্থক', 'দেৱদাসী' আদি তেওঁৰ অত্যন্ত জনপ্ৰিয় কবিতা। ব্যক্তিগত অনুভৱৰ গুঞ্জনৰ লগতে 'মোৰ দেশ মানুহৰ দেশ', 'লাচিত বৰফুকন' আদি কবিতাত কবি বৰুৱাৰ দেশাত্মবোধো প্ৰতিফলিত হৈছে। অৱশ্যে 'সাগৰ দেখিছা' কবিতাটোৰ



জৰিয়তে দেৱকান্ত বৰুৱাই পঢ়ুৱৈৰ ওচৰত অধিক জনপ্ৰিয় হৈ পৰে। সহজ-সৰল অনুভৱ আৰু নাটকীয় ঠাঁচৰ শব্দচয়নে কবিতাটোৰ ভাবক অধিক স্বচ্ছতা প্ৰদান কৰিছে—

সাগৰ দেখিছা দেখা নাই কেতিয়াও<br>
ময়ো দেখা নাই; শুনিছো তথাপি<br>
নীলিম সলিল ৰাশি বাধাহীন উৰ্মিমালা<br>
আছে দূৰ দিগন্ত বিয়পি।

আকৌ আবেগ-অনুভূতিৰ বিচিত্ৰতা আৰু কল্পনা মাধুৰ্যই কবিতাবোৰক অধিক গভীৰতা দান কৰিছে। দেশপ্ৰেমমূলক কবিতাবোৰত নিভাঁজ দেশাত্মবোধৰ স্বৰূপ উন্মোচিত হৈছে—

'মোৰ দেশ মানুহৰ দেশ<br>
উত্তৰে উত্তুংগ গিৰি দক্ষিণে সাগৰ<br>
শত নদী বুকুৰে বাগৰে<br>
পাৰে পাৰে সাজে ভাঙে কত ইতিহাস'

দেৱকান্ত বৰুৱাৰ কবিতালানিলৈ চালে দেখা যায় শব্দ নিৰ্বাচন আৰু শব্দৰ উচিত ব্যৱহাৰৰ প্ৰতি তেওঁ যথেষ্ট মনোযোগী আছিল।

কিন্তু তেওঁৰ কবিতাৰ ঘাই সুৰ চিৰন্তন প্ৰেম আৰু আবেগ। সেয়েহে 'অসাৰ্থক' কবিতাত তেওঁ ক'ব পাৰিছে—'গানে মোৰ নোচোৱে আকাশ/চোৱে জানো হৃদয় তোমাৰ'। একেজনা কবিয়ে আকৌ 'আমি দুৱাৰ মুকলি কৰোঁৰ দৰে আধুনিক কবিতাও লিখিছে : য'ত তেওঁৰ অন্য কবিতাসমূহৰ দৰে সহজ গীতিধৰ্মিতা নাই। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'ৰ কবিতাসমূহ অসমীয়া সাহিত্যত 'যুগজয়ী' হৈ ৰ'ব। ❖

**টোকা :** ১৯১৪ চনত জন্মগ্ৰহণ কৰা কবি দেৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষ স্মৰণ হিচাপে এই লেখাটো যুগুত কৰা হ'ল।

# হোৱাইট হাউছ

■ নৱনীতা গোস্বামী



বিশ্বৰ শক্তিশালী ভাস্কৰ্যসমূহৰ এক অন্যতম নিদৰ্শন হৈছে 'হোৱাইট হাউছ' নামৰ সুবিশাল অট্টালিকাটো। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসভৱনক 'হোৱাইট হাউছ' নামেৰে জনা যায়। বগা বৰণৰ এই বিশেষ ভৱনটো দেশখনৰ ৰাজধানী ৱাশ্বিংটন ডি.চি.ৰ পেনছিলভেনিয়া এভেনিউত অৱস্থিত। গোটেই ভৱনটো প্ৰায় ৭.৯২ হেক্টৰ মাটিত বিস্তৃত হৈ আছে। জৰ্জ ৱাশ্বিংটনৰ (১৭৮৯-৯৭) পাছৰে পৰা দেশখনৰ প্ৰত্যেকজন ৰাষ্ট্ৰপতিয়ে 'হোৱাইট হাউছ'ত বাস কৰি আহিছে। আৰম্ভণিতে এই ভৱনটো 'ৰাষ্ট্ৰপতিৰ ৰাজপ্ৰাসাদ' (President's Palace) নামেৰে জনাজাত আছিল। ১৮১০ চনত ভৱনটোক কাৰ্যবাহী বাসগৃহ (Executive Mansion) নামেৰে নামকৰণ কৰা হয়। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতি থিও'ডৰ ৰুছভেল্টৰ ১৯০১-০৯ (Theodore Roosevelt) শাসনকালত ১৯০২ চনত আনুষ্ঠানিকভাৱে ভৱনটোক 'হোৱাইট হাউছ' বুলি নামকৰণ কৰা হয়। ভৱনটোৰ ওচৰে-পাজৰে থকা ৰঙা ইটাৰে নিৰ্মিত ঘৰবোৰৰ বিপৰীতে বগা আৰু ছাই ৰঙৰ ইটাৰে সজোৱা এই ভৱনটোক এক স্বকীয় পৰিচয় প্ৰদান কৰাৰ অৰ্থেই 'হোৱাইট হাউছ' নামটো প্ৰচলিত কৰা হৈছিল বুলি বিশ্বাস কৰা হয়।

১৭৯২ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ বাসভৱন নিৰ্মাণ কৰাৰ উদ্দেশ্যে এখন উৎকৃষ্টমানৰ নক্সাৰ আবেদন বিচাৰি এখন ৰাজহুৱা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। জেমছ্ হোবান (James Hoban) নামৰ এজন আইৰিছ আমেৰিকান স্থাপত্য শিল্পীয়ে উক্ত প্ৰতিযোগিতাখনত জয়লাভ কৰে। হোবানে ইটালিৰ স্থাপত্য শিল্পী আন্দ্ৰেয়া পালাডিও'ৰ (Andrea Palladio) ধ্ৰুপদী শৈলীৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ 'হোৱাইট হাউছ'ৰ পৰিকল্পনা কৰে আৰু সেই মৰ্মে ভৱনটো নিৰ্মাণ কৰি উলিওৱা হয়। একেটি বছৰতে অক্ট'বৰ মাহৰ ১৩ তাৰিখে ভৱনটোৰ আধাৰশিলা স্থাপন কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ অন্যতম আকৰ্ষণ এই হোৱাইট হাউছ সাজি উলিয়াবলৈ আঠ বছৰ সময়ৰ প্ৰয়োজন হৈছিল। ১৮০০ চনত দেশখনৰ সেই সময়ৰ ৰাষ্ট্ৰপতি জন আডামছে দেশৰ চৰকাৰী কাৰ্যালয়ৰ সৈতে নিজেও হোৱাইট হাউছত থিতাপি লয়হি।

বৰ্তমান 'হোৱাইট হাউছ' চৌহদৰ অন্তৰ্ভুক্ত মূল অংশসমূহৰ ভিতৰত 'কেন্দ্ৰীয় কাৰ্যবাহী বাসগৃহ' (Central Executive Residence), ইয়াৰ পশ্চিম শাখা (West Wing) আৰু পূব শাখা (East Wing), 'এইছেনহাৱাৰ কাৰ্যবাহী অট্টালিকা' (Eisenhower Executive Office Building), 'ব্লেয়াৰ হাউছ' নামৰ অতিথিশালা ইত্যাদি উল্লেখযোগ্য। 'হোৱাইট হাউছ' ছয় মহলীয়া এক বিশাল অট্টালিকা। এই ভৱনটোত ৩৫টা স্নানাগাৰসহ সৰ্বমুঠ ১৩২টা কোঠা আছে। ৰাষ্ট্ৰপতিৰ

আবাসগৃহ হিচাপে ব্যৱহৃত ভৱনটোৰ ভূমি মহলাত ‘প্ৰতিনিধি অভিবাদন কোঠা’, ‘মেপ কোঠা’, ‘ছাইনা কক্ষ’ পুথিভঁৰাল আদি অৱস্থিত। প্ৰথম মহলাত ‘পূব কক্ষ’, ‘সেউজ কক্ষ’, ‘নীলা কক্ষ’, ‘ৰঙা কক্ষ’, ‘পাৰিবাৰিক ভোজন গৃহ’ আদি অৱস্থিত।

হোৱাইট হাউছৰ সৰ্ববৃহৎ ‘পূব কক্ষ’ আয়ত আকাৰত নিৰ্মিত। ‘পূব কক্ষ’ত একে সময়তে কেইবা হাজাৰ লোক গোট খাব পাৰে।

‘সেউজ কক্ষ’ হোৱাইট হাউছৰ প্ৰথম মহলাত অৱস্থিত। পৰম্পৰাগতভাৱে এই কক্ষটিত সৰু-সুৰা চাহমেলৰ আয়োজন কৰা হৈছিল আৰু বৰ্তমানেও এই কক্ষটো চাহমেলৰ আয়োজনৰ বাবে ব্যৱহৃত হয়।

হোৱাইট হাউছৰ আন এটি ৰঙীণ কক্ষ হৈছে ‘নীলা কক্ষ’। বৰ্তমান এই কক্ষটো ৰাষ্ট্ৰপতিজনাই তেখেতৰ অতিথিক অভিবাদন জনাবলৈ ব্যৱহাৰ কৰে। হোৱাইট হাউছৰ চৰকাৰী ‘খ্ৰীষ্টমাচ ট্ৰী’ও অণ্ডাকৃতিত নিৰ্মিত এই ‘নীলা কক্ষ’টোত অৱস্থিত। আনহাতে ৰঙা কক্ষটো ৰাষ্ট্ৰপতিৰ অতিথিসকলৰ আমোদ-প্ৰমোদৰ বাবে ব্যৱহাৰ হয়।



*মেপ ৰুম*

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ফ্ৰেংকলিন ৰুছভেল্টে মানচিত্ৰৰ সহায়ত যুদ্ধৰ অগ্ৰগতি সম্পৰ্কে খতিয়ান ল’বলৈ ব্যৱহাৰ কৰা কোঠাটোক বৰ্তমান ‘মেপ কক্ষ’ বোলা হয়।

‘চাইনা কোঠা’ হোৱাইট হাউছৰ ভূমি মহলাত অৱস্থিত। পৰম্পৰাগতভাৱে ক্ৰয় কৰা চীনা সামগ্ৰীৰ সংগ্ৰহালয় আৰু প্ৰদৰ্শনৰ বাবে ব্যৱহাৰ হোৱা বাবেই এই কোঠাটোক ‘চাইনা কোঠা’ নাম দিয়া হৈছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ তৃতীয়গৰাকী ৰাষ্ট্ৰপতি থমাছ জেফাৰছনে (Thomas Jefferson) গণতান্ত্ৰিক মূল্যবোধেৰে অনুপ্ৰাণিত হৈ জনসাধাৰণৰ দৰ্শনৰ বাবে প্ৰত্যেক ৰাতিপুৱাই ভৱনৰ দুৱাৰ খুলি দিয়া নিৰ্দেশ জাৰি কৰিছিল। ১৮১২ চনত সংঘটিত আমেৰিকা-ব্ৰিটেইনৰ যুদ্ধৰ সময়ত ব্ৰিটিছ সাম্ৰাজ্যবাদী বাহিনীয়ে ভৱনটো অগ্নিদগ্ধ কৰে আৰু ৰাষ্ট্ৰপতি জেমছ মেডিছনে তেওঁৰ পৰিয়ালবৰ্গৰ সৈতে চহৰখনৰপৰা পলাই সাৰিবলগীয়া হয়। হোবানৰ পৰিচালনাত ভৱনটোৰ পুনৰ্নিৰ্মাণৰ কাম আৰম্ভ হয় যদিও ১৮১৭ চনলৈ ভৱনটো বাস কৰাৰ বাবে প্ৰস্তুত হৈ উঠা নাছিল।

উনবিংশ শতিকাৰ সময়ছোৱাত ‘হোৱাইট হাউছ’ আমেৰিকা যুক্তৰাষ্ট্ৰৰ গণতন্ত্ৰৰ এক কীৰ্তিচিহ্ন হিচাপে পৰিগণিত হৈছিল। আমেৰিকাৰ নিবাসীসকলৰ মনত এই ভৱনটো কোনো এজন ৰজাৰ ৰাজপ্ৰাসাদ হোৱাৰ পৰিবৰ্তে এটা আবাসগৃহহে, য’ৰ পৰা ৰাষ্ট্ৰপতিয়ে জনসাধাৰণৰ বাবে সেৱা আগবঢ়ায়। ‘হোৱাইট হাউছ’ কেৱল স্থাপত্য কলাৰ এক উচ্চমানৰ নিদৰ্শনেই নহয়, ই ৰাষ্ট্ৰপতি শাসন আৰু গণতান্ত্ৰিক মূল্যবোধৰ এক বিৰল প্ৰতীকস্বৰূপ। ❖

## তোমালোকে জানানে?

১। উটৰ চকুত ধূলি-বালিৰপৰা ৰক্ষা পাবলৈ তিনিখনকৈ চকুৰ পতা থাকে।

২। নীলা ৰং চিনাক্ত কৰিব পৰা একমাত্ৰ চৰাই হ’ল ফেঁচা।


# ত্ৰিভুজত ৰঙৰ খেল

■ কল্যাণী পাটগিৰী


দৈনন্দিন জীৱনত বিভিন্ন ক্ষেত্ৰত গণিতৰ প্ৰয়োজন হয়। পাকঘৰৰপৰা ব্যৱসায়িক ক্ষেত্ৰলৈ, শিপিনীৰ দুহতীয়া, তিনিহতীয়া জোখৰপৰা অভিযন্তা এজনৰ নক্সাখনলৈ সকলোতে গণিতৰ প্ৰয়োগ ঘটে। মানুহৰ দৈনন্দিন জীৱনত মুখামুখি হোৱা কেতবোৰ ক্ষেত্ৰত গণিতৰ লগতে জ্যামিতিৰ প্ৰয়োগো দেখা যায়। জ্যামিতিৰ আকৰ্ষণীয় আৰু মনোগ্ৰাহী প্ৰয়োগৰ এটা উদাহৰণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দিয়া হ'ল।

ত্ৰিভুজীয় সংখ্যা ১০ৰপৰা সমবাহু ত্ৰিভুজ আকৃতিত এটা সম্পূৰ্ণ লেখ (complete graph) লোৱা হ'ল। এইখিনিতে উল্লেখ কৰা হ'ল যে, এখন সমতলত থকা বিন্দুবোৰ (এটা, দুটা বা ততোধিক) প্ৰতিটো বিন্দু সংযোগ কৰি পোৱা লেখকে সম্পূৰ্ণ লেখ বোলা হয়। চিত্ৰত দেখুওৱা ধৰণে এনেকুৱা এটা সমবাহু ত্ৰিভুজৰ বিন্দুবোৰ দুটা ৰঙেৰে ৰং কৰা হ'ল। ভূমিত থকা বিন্দু চাৰিটা যাদৃচ্ছিকভাৱে ক্ৰমে ক'লা, বগা, ক'লা, বগা ৰঙেৰে ৰং কৰা হ'ল। একেদৰে তাৰ ওপৰৰ বিন্দু তিনিটা ক্ৰমে বগা, ক'লা, বগা ৰঙেৰে ৰং কৰা হ'ল। এইদৰে তাৰ ওপৰৰ বিন্দু দুটা ক'লা ৰঙেৰে আৰু আটাইতকৈ ওপৰৰ শীৰ্ষবিন্দুটো বগা ৰঙেৰে ৰং কৰা হ'ল। (চিত্ৰ ১) দেখা গ'ল তাত তিনিটা সমবাহু ত্ৰিভুজ পোৱা গৈছে, ($\Delta$ACH, $\Delta$HFI আৰু $\Delta$EGJ) যাৰ শীৰ্ষবিন্দু তিনিটা একে ৰঙৰ। চিত্ৰ ২ত দেখুওৱাৰ দৰে ভূমিত থকা বিন্দু চাৰিটা ক্ৰমে বগা, ক'লা, ক'লা, বগা ৰঙেৰে ৰং কৰা হ'ল আৰু ওপৰৰ বিন্দুবোৰ ক্ৰমে ক'লা, বগা, ৰঙেৰে ৰং কৰা হ'ল। (আটাইবোৰ বিন্দু যাদৃচ্ছিকভাৱে ৰং কৰা হৈছে।)

দেখা গ'ল যে অমি অন্তত এটা সমবাহু ত্ৰিভুজ পালো, যাৰ তিনিওটা বিন্দু একে ৰঙৰ ($\Delta$TRX)। একে ধৰণেৰে এনে চিত্ৰৰ বিন্দুবোৰ যিকোনো দুটা ৰং লৈ ৰং কৰি গৈ থাকিলে অন্ততঃ এটা সমবাহু ত্ৰিভুজ পাম, যাৰ তিনিওটা শীৰ্ষবিন্দু একে ৰঙৰ হ'ব।



*চিত্ৰ ১*




*চিত্ৰ ২*

**বি.দ্ৰ. :** ছাত্ৰ-ছাত্ৰীসকলে যিকোনো দুটা ৰং লৈ নিজৰ ধৰণে ৰং কৰিব পৰা ধাৰণাটো প্ৰতিপন্ন কৰিব পাৰে। ❖

# আভিযান্ত্রিক আশ্চৰ্য

১। **বেইলং এলিভেটৰ** (Bailong Elevator) : চীনৰ ঝাংঝিয়াজি (Zhangjiajie) অঞ্চলৰ পাহাৰৰ এটা



চূড়াত ২০০২ চনত সাজি উলিওৱা পৃথিৱীৰ ভিতৰত আটাইতকৈ ওখ (১০৭০ ফুট) এলিভেটৰ। ইয়াৰ আন এটা নাম হ'ল হাণ্ড্ৰেদ ড্ৰেগনছ এলিভেটৰ (Hundred Dragons Elevator)।

২। **মিলাও ভায়াডাক্ট দলং** (Millao Viaduct Bridge) : ফ্ৰান্সৰ টাৰ্ণ (Tarn) উপত্যকাৰ ওপৰেৰে ২০০৪ চনত সজা পৃথিৱীৰ আটাইতকৈ ওখ কেব্‌ল (cable) ব্যৱহৃত দলং। দৈৰ্ঘ্য ২৪৬০ মিটাৰ, উচ্চতা ৩৪৩ মিটাৰ।



৩। **নেছনেল ষ্টেডিয়াম** (National Stadium) : বেইজিঙত অৱস্থিত এই ষ্টেডিয়ামখনৰ নিৰ্মাণ কাৰ্য ২০০৮ চনত সম্পূৰ্ণ হয়। পৃথিৱীৰ আটাইতকৈ বৃহৎ তীখা স্থাপত্য হিচাপে পৰিগণিত এই ষ্টেডিয়ামখনক বাৰ্ড নেষ্ট (Bird Nest) ষ্টেডিয়াম হিচাপেও জনা যায়।



৪। **পাম আইলেণ্ডছ** (Palm Islands) : ডুবাইৰ ওচৰত আৰব সাগৰত তৈয়াৰ কৰি উলিওৱা (২০০৬ চন) পৃথিৱীৰ ভিতৰত আটাইতকৈ বৃহৎ কৃত্ৰিম সাগৰীয় দ্বীপ। এই দ্বীপত শতাধিক বিলাসী হোটেল,



আবাসিক গৃহ, পাৰ্ক, ব্যৱসায়িক অঞ্চল ইত্যাদিৰ লগতে স্বাস্থ্যসেৱা, খেলা-ধূলা আদিৰ অত্যাধুনিক সা-সুবিধা আছে। পাম আইলেণ্ডত থকা দ্বীপ দুটা সম্পূৰ্ণ কৰিবলৈ প্ৰায় এক লাখ কিউবিক মিটাৰ শিল-বালিৰ প্ৰয়োজন হৈছিল। ❖

**টোকা :** *এলিভেটৰ হ'ল বিদ্যুতৰদ্বাৰা চালিত এক যন্ত্ৰ যাৰ সহায়ত মানুহ বা আন সামগ্ৰী উলম্ব দিশত অনা-নিয়া কৰিব পাৰি। আমি সচৰাচৰ ব্যৱহাৰ কৰা লিফ্‌টো এবিধ এলিভেটৰ।*

## দেশ, ৰাজধানী, মুদ্ৰা

১। **দেশ** : ব্ৰাজিল (Brazil)
**ৰাজধানী** : ব্ৰাছিলিয়া (Brasilia)




**মুদ্ৰা** : ৰিয়েল (Real)

২। **দেশ** : আৰ্জেণ্টিনা (Argentina),
**ৰাজধানী** : বুৱেন'ছ আয়াৰ্ছ (Buenos Aires),




**মুদ্ৰা** : পেছ' (Peso)

৩। **দেশ** : মেক্সিক' (Mexico),
**ৰাজধানী** : মেক্সিক' চিটি (Mexico City),




**মুদ্ৰা** : মেক্সিকান পেছ' (Mexican Peso)

৪। **দেশ** : মালয়েছিয়া (Malaysia),
**ৰাজধানী** : কুৱালালামপুৰ (Kualalampur)





**মুদ্ৰা** : ৰিংগিট (Ringgit)

৫। **দেশ** : ইজিপ্ত (Egypt),
**ৰাজধানী** : কাইৰ' (Cairo)




**মুদ্ৰা** : ইজিপ্‌চিয়ান পাউণ্ড (Egyptian Pound)

৬। **দেশ** : ঘানা (Ghana)
**ৰাজধানী** : আক্ৰা (Accra)




**মুদ্ৰা** : ঘানা চেদি (Ghana Cedi)

# চে’ গুৱেভাৰা

**■ গায়ত্ৰী শইকীয়া**



পৃথিৱীৰ শোষিত নিপীড়িত জনগণৰ মুক্তিৰ লক্ষ্য আগত ৰাখি নিজৰ প্ৰাণ আহুতি দিয়া মহান বিপ্লৱীসকলৰ ভিতৰত আৰ্ণেষ্টো চে’ গুৱেভাৰা অন্যতম।

১৯২৮ চনৰ জুন মাহৰ ১৪ তাৰিখে আৰ্জেণ্টিনাৰ ৰজাৰিঅ’ চহৰত জন্ম গ্ৰহণ কৰিছিল চে’ গুৱেভাৰাই। তেওঁৰ জীৱনৰ প্ৰথম অৱস্থাত লক্ষ্য আছিল চিকিৎসাবিজ্ঞানৰ ক্ষেত্ৰখনত গৱেষণা কৰা। ১৯৫৩ চনত চে’ গুৱেভাৰাই বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰি এজন চিকিৎসক হিচাপে স্বীকৃতি পায়। কিন্তু ইয়াৰ লগতে তেওঁৰ মনত কিছুমান দুঃসাহসিক কাৰ্য সাধনৰ আকাংক্ষায়ো বাহ লৈছিল। সেইবাবে ছাত্ৰ অৱস্থাতে তেওঁ লেটিন আমেৰিকাৰ (দক্ষিণ আমেৰিকাক বৰ্তমান লেটিন আমেৰিকা বুলিও কয়) বিভিন্ন দেশৰ মাজেৰে প্ৰায় ৪০০০ মাইল চাইকেলেৰে ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ লেটিন আমেৰিকাবাসীৰ ওপৰত হোৱা শোষণ-নিপীড়নৰ এখন দুখলগা ছবি দেখিবলৈ পায়। সেই ছবিয়ে তেওঁৰ মনত জন্ম দিয়ে প্ৰচণ্ড এক বৈপ্লৱিক মনোভাবৰ। তেওঁ ভাবিলে, এজন চিকিৎসাবিজ্ঞানী হিচাপে তেওঁ পৃথিৱীখনক কিবা এটা দিয়াতকৈ এই শোষিত-নিপীড়িত মানুহবোৰৰ মুক্তিৰ বাবে কিবা এটা কৰাটো বেছি প্ৰয়োজনীয়।

১৯৫৩-৫৪ চনৰ ভিতৰত লেটিন আমেৰিকাৰ মাজেৰে কৰা দ্বিতীয় ভ্ৰমণত গুৱেভাৰাই বলিভিয়া, পেৰু, ইকুৱেডৰ, কলম্বিয়া, পানামা, ক’ষ্টাৰিকা, ছালভাদ’ৰ, গুৱেটিমালা আদি দেশৰ মাজেৰে পাৰ হৈ যায়। সেই দেশবোৰৰ দুৰ্গত জনসাধাৰণৰ দুখ-দুৰ্দশা আৰু তেওঁলোকৰ ওপৰত চলা শোষণ-নিপীড়নৰ দৃশ্যই তেওঁৰ মন বিদ্ৰোহী কৰি তোলে। নিজে আৰ্জেণ্টিনাৰ লোক হৈও তেওঁ সমগ্ৰ লেটিন আমেৰিকাৰ প্ৰতিটো নিষ্পেষিত জাতিৰ মুক্তিৰ কথা গভীৰভাৱে চিন্তা কৰিবলৈ ধৰে। তেওঁৰ ভ্ৰমণৰ শেষৰফালে গুৱেটিমালাত শাসকৰ শোষণৰ বিৰুদ্ধে বিপ্লৱ চলি আছিল। ইয়াৰ নেতৃত্ব দিছিল আবেঞ্জ নামৰ এজন লোকে। গুৱেভাৰাই আবেঞ্জৰ লগ লাগে। কিন্তু এই বিপ্লৱত আবেঞ্জৰ সেনাবাহিনী পৰাস্ত হয় আৰু আৰ্ণেষ্টো গুৱেভাৰা গুৱেটিমালাৰপৰা পলাই গৈ মেক্সিকোত আশ্ৰয় লয়। ১৯৫৫ চনৰ জুলাই মাহৰ ৯ তাৰিখে তাতেই লগ পায় ফিডেল কাষ্ট্ৰোক।

ফিডেল কাষ্ট্ৰোক লগ পোৱাৰ পাছত আৰ্ণেষ্টো গুৱেভাৰাই উপলব্ধি কৰে যে বিপ্লৱৰ অগণি জ্বলাই তোলাৰ যি সময় আৰু সুযোগৰ বাবে তেওঁ ইমানদিন অপেক্ষা কৰি আছিল সেই সুযোগ আৰু সময় এতিয়া সমাগত। সেই সময়ত কিউবাৰ শাসনকৰ্তা আছিল বেটিষ্টা। কিউবাক বেটিষ্টাৰ কবলৰপৰা মুক্ত কৰিবলৈ এক সশস্ত্ৰ বিপ্লৱে গা কৰি উঠিছিল। গুৱেভাৰাই এই বিপ্লৱত যোগ দিয়ে।

১৯৫৬ চনৰ জানুৱাৰি মাহৰ ১ তাৰিখে স্বেচ্ছাচাৰী বেটিষ্টাৰ কবলৰপৰা কিউবাক সম্পূৰ্ণৰূপে মুক্ত কৰালৈকে আৰ্ণেষ্টো গুৱেভাৰাই নিজৰ জীৱন আগবঢ়াই দি কেৱল যুদ্ধ কৰি যায়। গেৰিলা যুদ্ধৰ মাজতে তেওঁৰ আৰ্ণেষ্টো গুৱেভাৰাৰ নামটোৰ মাজত ‘চে’ শব্দটো সংযোজিত হয়। গুৱেভাৰাই তেওঁৰ সতীৰ্থসকলৰ লগত কথা পাতোতেও সততে এই শব্দটো উচ্চাৰণ কৰা বাবে তেওঁলোকে ‘চে’ বুলি মাতিবলৈ ধৰে। এনেকৈয়ে তেওঁৰ নাম হয় আৰ্ণেষ্টো চে’ গুৱেভাৰা।

আৰ্ণেষ্টো গুৱেভাৰা স্বাধীন কিউবাৰ মন্ত্ৰীসভাৰ সদস্য হিচাপে উদ্যোগ বিভাগৰ মন্ত্ৰী নিযুক্ত হয়। শাসনৰ

গাদীত বহাটোৱেই চে’ৰ মুখ্য উদ্দেশ্য নাছিল। তেতিয়াও লেটিন আমেৰিকাৰ বহুতো দেশ স্বেচ্ছাচাৰী সাম্ৰাজ্যবাদী শাসনৰ কবলৰপৰা মুক্ত হ’বলৈ বাকী আছিল। সেয়ে ১৯৬৫ চনৰ এপ্ৰিল মাহত কিউবাৰ মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰি চে’ গুৱেভাৰা পুনৰ এজন বিপ্লৱী গেৰিলা হিচাপে বলিভিয়াৰ অৰণ্যত সোমাই পৰে। ১৯৬৭ চনৰ ২৬ মাৰ্চ তাৰিখে বলিভিয়াৰ জাতীয় মুক্তিবাহিনীৰ হৈ পুনৰ গেৰিলা যুদ্ধত অৱতীৰ্ণ হয়। এই যুদ্ধতেই সেই একে বছৰতে অক্ট’বৰ মাহৰ আঠ তাৰিখে ‘ইউৰ হ’ল’ ’ নামে এক গভীৰ বনাঞ্চলত আৰ্ণেষ্টো চে’ গুৱেভাৰাক আমেৰিকা আৰু বলিভিয়াৰ সৈন্যৰ এটা সংযুক্ত বাহিনীয়ে বন্দী কৰে। তাৰ পিছদিনা ৯ অক্ট’বৰ তাৰিখে তেওঁক নৃশংসভাৱে হত্যা কৰা হয়।

দুৰ্গতজনৰ মুক্তি সাধনৰ মনোকামনাৰে আৰু দৃঢ় বিশ্বাসেৰে আৰ্ণেষ্টো চে’ গুৱেভাৰাই শোষণৰ বিৰুদ্ধে, সাম্ৰাজ্যবাদৰ বিৰুদ্ধে অস্ত্ৰ হাতত তুলি লৈছিল। তেওঁ কৃতকাৰ্যও হৈছিল—লেটিন আমেৰিকাৰ একাধিক দেশৰ জনতাক সাম্ৰাজ্যবাদৰ নিপীড়নৰপৰা মুক্ত কৰাৰ ক্ষেত্ৰত। বলিভিয়াৰ অৰণ্যাঞ্চলত হোৱা জীৱনৰ শেষ গেৰিলা যুদ্ধখনত মৃত্যুবৰণ নকৰালৈকে আৰ্ণেষ্টো চে’ গুৱেভাৰাই চলাই গৈছিল তেওঁৰ অসীম সাহসী বিপ্লৱ। ❖

# ৱায়াৰলেচ-ফাইডেলিটি (ৱাই-ফাই)

■ **প্ৰহ্লাদ বড়া**

বৰ্তমান সময়ত কম্পিউটাৰ যোগাযোগ ব্যৱস্থা, বিশেষকৈ ইণ্টাৰনেটৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহৃত এটা শব্দ হ’ল—ৱাই-ফাই (Wireless Fidelity; Wi-Fi)। বৰ্তমান সময়ত বহুতো ঠাইত যেনে—ঘৰ, বিদ্যালয়, বিশ্ববিদ্যালয়, কাৰ্যালয় আদিত এই ৱাই-ফাই সুবিধা উপলব্ধ হোৱা দেখা যায় আৰু আমি বহুতেই এই সুবিধা ব্যৱহাৰ কৰিছো।

একেবাৰে সহজ ভাষাত ক’বলৈ গ’লে ৱাই-ফাই হ’ল তাঁৰবিহীনভাৱে এটা আহিলাৰে (Device) বাৰ্তা আদান-প্ৰদান কৰা বা ইণ্টাৰনেটৰ লগত সংযোগ স্থাপন কৰা এক ব্যৱস্থা। ৱাই-ফাইৰ বিষয়ে জানিবলৈ লওঁতে আমি কিছুমান কম্পিউটাৰৰ লগত জড়িত সংযোগ ব্যৱস্থাৰ বিষয়ে জানি ল’ব লাগিব।

ভৌগোলিক পৰিসৰৰ ওপৰত নিৰ্ভৰ কৰি কম্পিউটাৰৰ সংযোগ ব্যৱস্থাক মূলতঃ তিনিটা ভাগত ভাগ কৰা হয়।

**১। লেন** (LAN) **অৰ্থাৎ লোকেল এৰিয়া নেটৱৰ্ক** (Local Area Network) : সীমিত পৰিসৰত থকা কম্পিউটাৰসমূহ সংযোগ কৰি বাৰ্তা আদান-প্ৰদান কৰিলে তাক লেন বোলা হয়। (যেনে : এটা ঘৰ বা কাৰ্যালয়ৰ কম্পিউটাৰবোৰ সংযোগ কৰিলে তাক এটা লেন বোলে।)

**২। মেন** (MAN) **অৰ্থাৎ মেট্ৰ’প’লিটান এৰিয়া নেটৱৰ্ক** (Metropolitan Area Network) : লেনতকৈ বহল পৰিসৰত থকা কম্পিউটাৰবোৰৰ সংযোগ ব্যৱস্থাই হ’ল মেন। এখন চহৰৰ ভিতৰত থকা কম্পিউটাৰবোৰ সংযোগ হৈ থাকিলে সেই ব্যৱস্থাকে মেন বোলে।

**৩। ৱেন** (WAN) **ৱাইড এৰিয়া নেটৱৰ্ক** (Wide Area Network) : ভৌগোলিকভাৱে বহুত দূৰত থকা কম্পিউটাৰবোৰৰ সংযোগ ব্যৱস্থাই হ’ল ৱেন। যেনে : দুখন বেলেগ বেলেগ চহৰ বা নগৰৰ (ধৰা হ’ল গুৱাহাটী আৰু নগাঁও) কম্পিউটাৰবোৰ সংযোগ হৈ থাকিলে তাক ৱেন বোলে।

ৱাই-ফাই হ’ল একধৰণৰ তাঁৰবিহীন লোকেল এৰিয়া নেটৱৰ্ক (Local Area Network)। এই

নেটৱৰ্ক ব্যৱস্থা ব্যৱহাৰৰ উপযোগী হোৱাৰ বাবে IEEE (Institute of Electrical and Electronics Engineers)ৰ স্বীকৃতিপ্ৰাপ্ত হ'ব লাগে। ৱাই-ফাই সংযোগ ব্যৱস্থাত সংযোগ কৰিবৰ বাবে এটা কম্পিউটাৰত ৱায়াৰলেচ নেটৱৰ্ক ইণ্টাৰফেচ কণ্ট্ৰ'লাৰ (Wireless Network Interface Controller) নামৰ উপাংশবিধ থকাটো প্ৰয়োজন। ৱায়াৰলেচ নেটৱৰ্ক ইণ্টাৰফেচ নামৰ এই উপাংশবিধে নিৰ্দিষ্ট তৰংগ দৈৰ্ঘ্যৰ ৰেডিঅ' তৰংগ গ্ৰহণ আৰু প্ৰেৰণ কৰিব পাৰে। কম্পিউটাৰ আৰু ইণ্টাৰফেচ কণ্ট্ৰলাৰক যৌথভাৱে এটা ষ্টেচন বোলা হয়। সকলো ষ্টেচনে একোটা ৰেডিঅ' তৰংগ সংযোগ চেনেল ব্যৱহাৰ কৰে। ৰেডিঅ' তৰংগ সংযোগ চেনেল হ'ল ৰেডিঅ' তৰংগ ব্যৱহাৰ কৰি বিভিন্ন ষ্টেচনৰ লগত সংকেত (signal) আদান-প্ৰদান কৰা এক হাৰ্ডৱেৰ (Hardware) আহিলা। এই চেনেলটোৰপৰা তৰংগ ইয়াৰ পৰিসৰত থকা সকলো ষ্টেচনে গ্ৰহণ কৰে। সকলোবোৰ বাৰ্তা (data) কিছুমান সৰু সৰু গোটত প্ৰেৰণ কৰা হয়। এই গোটবোৰক পেকেট বোলে। এই পেকেটবোৰ কঢ়িয়াই নিবলৈ এক প্ৰকাৰৰ বাহক ঢৌ (carrier wave) ব্যৱহাৰ কৰা হয়। সকলো ষ্টেচনকে ৰেডিঅ' তৰংগ সংযোগ চেনেলৰ তৰংগ গ্ৰহণ কৰিব পৰাকৈ কম্পনাংক অনুসৰি মিলাই (Tune) লোৱা হয়। ৱাই-ফাই সংযোগ ব্যৱস্থাত 2.4 গিগা হাৰ্জৰ (GHz) অতি উচ্চ কম্পনাংক (Ultra High Frequency) আৰু 5 গিগা হাৰ্জৰ (GHz) অত্যধিক উচ্চ কম্পনাংকৰ (Super High Frequency) তৰংগ ব্যৱহাৰ কৰা হয়।

বহুতো যন্ত্ৰই (Device) ৱাই-ফাই সুবিধা ব্যৱহাৰ কৰিব পাৰে, যেনে—ব্যক্তিগত কম্পিউটাৰ, ভিডিঅ' গেম প্লেয়াৰ, স্মাৰ্টফ'ন, কিছুমান ডিজিটেল কেমেৰা আৰু কিছুমান ডিজিটেল শব্দ-যন্ত্ৰ আদি। কোনো এটা ৱায়াৰলেচ নেটৱৰ্কৰ পৰিসৰত থাকি এটা আহিলাই ৱাই-ফাইৰ জৰিয়তে ইণ্টাৰনেটৰ সুবিধা লাভ কৰিব পাৰে। এই ক্ষেত্ৰত ৱায়াৰলেচ নেটৱৰ্কটো ইণ্টাৰনেটৰ লগত সংযুক্ত হ'ব লাগিব। ৱায়াৰলেচ লোকেল এৰিয়া নেটৱৰ্কৰ (WLAN) জৰিয়তে ইণ্টাৰনেটৰ সুবিধা উপলব্ধ এডোখৰ ঠাইক হট্‌স্পট (Hotspot) বোলে। হট্‌স্পটৰ পৰিসৰ এটা কোঠাত সীমাবদ্ধ হ'ব পাৰে বা কিছু বৰ্গ কিল'মিটাৰলৈও বিস্তৃত হ'ব পাৰে। গতিকে ৱাই-ফাইৰ সহায়ত এনে কোনো হট্‌স্পট্‌ৰ ভিতৰৰ যিকোনো ঠাইতে থাকি ইণ্টাৰনেটৰ সুবিধা গ্ৰহণ কৰিব পাৰি।

তাঁৰযুক্ত ইণ্টাৰনেট ব্যৱস্থাতকৈ ৱাই-ফাই বেছি সুবিধাজনক হোৱাৰ মূলতঃ এইটোৱেই যে আমি হট্‌স্পটৰ ভিতৰত ঘূৰা-ফুৰা কৰি থাকিও ইণ্টাৰনেট ব্যৱহাৰ কৰিব পাৰোঁ। কিন্তু তাঁৰবিহীন সংযোগ ব্যৱস্থাতকৈ ৱাই-ফাই কিছু কিছু ক্ষেত্ৰত কম সুৰক্ষিত যেন পৰিলক্ষিত হয় কাৰণ অনৈতিকভাৱে বেলেগ ব্যৱহাৰকাৰীৰ বাবে এই সংযোগ ব্যৱস্থাত প্ৰৱেশ কৰাটো সহজ। সেয়েহে ৱাই-ফাইৰ ক্ষেত্ৰত উন্নত প্ৰযুক্তিৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হয়। ❖

**টোকা** : 1 গিগাহাৰ্জ = $10^{12}$ হাৰ্জ

## কুইজৰ উত্তৰসমূহ

১। নিকোছিয়া ২। কিবিথু (অৰুণাচল প্ৰদেশ) ৩। বৰপেটা, ডিব্ৰুগড়, গোৱালপাৰা, মৰিগাঁও ৪। ১০০ মিলিয়ন ৫। দেৱীকা ৰাণী ৬। Faster, Higher, Stronger এয়া হ'ল অলিম্পিক খেলৰ ম'টো (Motto) ৭। আইছ হকী ৮। উৰুগুৱে ৯। দি টাইমচ অব ইণ্ডিয়া ১০। লুইচ চুৱাৰেজক (লিভাৰপুল ক্লাব) ১১। নেপ'লিয়ন ১২। চকুৰ ১৩। ভাৰত, পাকিস্তান, বাংলাদেশ ১৪। লক্ষ্ণৌ ১৫। প্ৰতি বৰ্গমিটাৰত ৩৮২ জন ১৬। আয়ন'স্ফিয়েৰ ১৭। ক) আগতকৈ ওপৰলৈ উঠিব ১৮। আৰ্থাৰ কনান ডায়ল ১৯। Anti-Ballastic Missiles ২০। উৰ্দু ভাষাত।

# কুইজ

■ ধ্ৰুৱ শৰ্মা

১। চাইপ্ৰাছৰ ৰাজধানী কি?

২। ভাৰতবৰ্ষৰ আটাইতকৈ পূবত থকা গাঁওখনৰ নাম কি?

৩। জনসংখ্যাৰ অধঃক্ৰমত সজোৱা।
গোৱালপাৰা, বৰপেটা, ডিব্ৰুগড়, মৰিগাঁও।

৪। ভাৰতৰ ২০১৩ চনৰ তীখাৰ উৎপাদন প্ৰায়—
২০০ মিলিয়ন টন • ১০০ মিলিয়ন টন
৫০ মিলিয়ন টন • ১৫০ মিলিয়ন টন

৫। দাদা চাহেব ফাল্কে বঁটা লাভ কৰা প্ৰথম ভাৰতীয় কোন?

৬। Citius, Altius আৰু Fortius এই শব্দকেইটাৰ ইংৰাজী প্ৰতিশব্দ কি? এই শব্দকেইটাৰ বিশেষত্ব কি?

৭। ষ্টেনলি কাপ কি খেলৰ লগত জড়িত?

৮। কোনখন দেশত পোন প্ৰথমবাৰৰ বাবে বিশ্বকাপ ফুটবল খেল অনুষ্ঠিত হৈছিল?

৯। ভাৰতৰ আটাইতকৈ বেছি প্ৰচলিত বাতৰিকাকত কোনখন?

১০। ইংলেণ্ডৰ পেছাদাৰী ফুটবলাৰ এছ'চিয়েচনে (২০১৩ চনৰ মে' মাহত) কোনজন খেলুৱৈক বৰ্ষশ্ৰেষ্ঠ ফুটবলাৰ হিচাপে স্বীকৃতি দিয়ে?

১১। ৱাটাৰলু যুদ্ধত পৰাজিত হোৱা সম্ৰাটজন কোন আছিল?

১২। অপথাল্‌ম'ল'জিষ্ট এজনে কিহৰ চিকিৎসা কৰে?

১৩। ৰেডক্লিফ ৰেখা কোন কোন দেশৰ সীমা?

১৪। গোমতী নদীৰ পাৰত কোনখন চহৰ অৱস্থিত?

১৫। ২০১১ চনৰ লোক পিয়ল অনুসৰি ভাৰতৰ জনসংখ্যাৰ ঘনত্ব কিমান?

১৬। ৰেডিঅ' তৰংগ বায়ুমণ্ডলৰ কোনটো তৰপত প্ৰতিফলিত হয়?

১৭। এখন জাহাজ নদীৰপৰা সাগৰত প্ৰৱেশ কৰিলে জাহাজখন ক) আগতকৈ ওপৰলৈ উঠিব খ) আগতকৈ তললৈ নামিব গ) আগ অংশ পানীত বেছিকৈ সোমাব (ঘ) পিছ অংশ পানীত বেছিকৈ সোমাব

১৮। ডাঃ ৱাটছন নামৰ বিখ্যাত চৰিত্ৰটোৰ স্ৰষ্টা কোন?

১৯। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ABMএ কি অৰ্থ বহন কৰে?

২০। আলি চৰ্দাৰ জাফ্ৰি, আছাদউল্লা খান, মহম্মদ ইকবাল আদি সাহিত্যিকসকলে ঘাইকৈ কি ভাষাত সাহিত্য চৰ্চা কৰিছিল? ❖

## তোমালোকৰ বাবে প্ৰশ্ন

১। CIAৰ সম্পূৰ্ণ নাম কি?

২। ৰেড্ ইণ্ডিয়ানসকল কোনখন মহাদেশৰ অধিবাসী?

৩। ধপাত বিৰোধী দিৱস কোন তাৰিখে পালন কৰা হয়?

৪। দিল্লীৰ ৰাজ্যিক চৰাই কি?

৫। 'টেহৰিক ই ইন্‌চাফ' নামৰ ৰাজনৈতিক দলটোৰ প্ৰতিষ্ঠাপক কোন?

*(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ জুলাই তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, **'অন্বেষণ'** এই ঠিকনালৈ পঠিয়াবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)*

# দা কাইট ৰানাৰ (The Kite Runner)

■ নিশা দেৱী




'দা কাইট ৰানাৰ' উপন্যাসখনৰ লিখক হৈছে আফগান-আমেৰিকান লিখক খালেদ হোছেইনি। 'দা কাইট ৰানাৰ' (The Kite Runner) খালেদ হোছেইনিৰ (Khaled Hosseini) প্ৰথম উপন্যাস। ১৯৯৯ চনত তালিবানীসকলে যেতিয়া কাবুলত চিলা উৰুওৱা নিষিদ্ধ কৰিছিল পোনপ্ৰথমবাৰৰ বাবে লিখকৰ মনলৈ এই উপন্যাসখনৰ ধাৰণাটো আহিছিল। এটি চুটিগল্প হিচাপে লিখি লিখকে আমেৰিকাৰ বিভিন্ন কাকত আৰু আলোচনীত এই গল্পটো প্ৰকাশৰ বাবে পঠিয়াইছিল। গল্প হিচাপে ই প্ৰকাশিত নহ'ল আৰু প্ৰায় তিনি বছৰৰ মূৰত লিখকে ইয়াক উপন্যাসৰ ৰূপ দি প্ৰকাশ কৰিলে। ২০০৩ চনৰ ২৯ মে'ত খালেদ হোছেইনিৰ 'দা কাইট ৰানাৰ' প্ৰকাশ হৈ ওলায়। এই উপন্যাসখনে প্ৰায় দুবছৰ ধৰি নিউ ইয়ৰ্ক টাইমছৰ বেষ্ট চেলাৰৰ তালিকাত স্থান লাভ কৰিছিল। এতিয়ালৈকে প্ৰায় ৪২টা ভাষালৈ এই কিতাপখন অনূদিত হৈছে। 'দা কাইট ৰানাৰ'ৰ বিষয়বস্তু হৈছে পিতা আৰু পুত্ৰৰ মাজৰ জটিল অথচ সূক্ষ্ম সম্পৰ্ক। কিতাপখনৰ মূল চৰিত্ৰ দুটি হৈছে—আমীৰ আৰু হাচান। কাবুলৰ এজন ধনী ব্যৱসায়ীৰ পুত্ৰ হৈছে আমীৰ। আমীৰৰ বন্ধুজনৰ নাম হাচান—সি আমীৰৰ ঘৰত কাম কৰা এজন মানুহৰ ল'ৰা। আমীৰৰ বন্ধুত্ব হাচানৰ জীৱনী শক্তি। সি আমীৰৰ বাবে সকলো কৰিবলৈ সাজু। আমীৰ আৰু হাচানৰ বন্ধুত্বত কেনা লাগিল সিদিনা, যিদিনা সুযোগ-সুবিধা থকা সত্ত্বেও আচফ নামৰ ল'ৰা এজনৰ হাতত শাৰীৰিকভাৱে লাঞ্ছিত হোৱাৰ পৰা হাচানক আমীৰে বচাব নুখুজিলে। হাচান আৰু আমীৰৰ মাজত দূৰত্ব আহিল। হাচানৰ উপস্থিতিত আমীৰ বিৰক্ত হোৱা হ'ল। আমীৰে বুদ্ধি কৰি হাচানক সিহঁতৰ ঘৰৰপৰা উলিয়াই দিলে। এই কথাৰ স্মৃতিয়ে আমীৰক ডাঙৰ হোৱাৰ পিছতো আমনি কৰি থাকিল। পিছে হাচানক কৰা সেই নিৰ্মম প্ৰতাৰণাৰ প্ৰায়চিত্তৰ সুযোগ আমীৰে পালে। কাবুল এৰি আমেৰিকাত থাকিবলৈ লোৱা আমীৰ, অতীতক বিচাৰি পুনৰ কাবুললৈ যাত্ৰা কৰিবলগীয়া হ'ল। আমীৰে কাবুললৈ আহি গম পালে যে হাচানৰ ইতিমধ্যে মৃত্যু হৈছে আৰু হাচানৰ পুত্ৰক আচফে বন্দী কৰি ৰাখিছে। আমীৰে হাচানৰ পুত্ৰক আচফৰ হাতৰপৰা উদ্ধাৰ কৰে আৰু তাৰ দায়িত্ব গ্ৰহণ কৰে। আমীৰে এইদৰে নিজৰ পাপৰ প্ৰায়চিত্ত কৰে।

১৯৬৫ চনৰ ৪ মাৰ্চত কাবুলত জন্মগ্ৰহণ কৰা খালেদ হোচেইনি পেছাগতভাৱে এজন চিকিৎসক। তেওঁ কাবুল, ফ্ৰান্স আৰু আমেৰিকাত ডাঙৰ-দীঘল হৈছে। 'দা কাইট ৰানাৰ'ৰ সফলতাৰ পিছত তেওঁ নিজৰ পেছা এৰি কেৱল লিখাতেই আত্মনিয়োগ কৰিছে। কাবুল চিৰদিনৰ বাবে এৰি অহা সম্পৰ্কত তেওঁৰ মাজত একধৰণৰ অপৰাধী অনুভৱ থকা কথাটো তেওঁ স্বীকাৰ কৰে; 'দা কাইট ৰানাৰ' এখন আত্মজীৱনীমূলক উপন্যাস বুলি বহুতেই ক'ব খোজে। পিছে লিখকৰ মতে ই এশ শতাংশই আত্মজীৱনীমূলক নহয়। ২০০৭ চনত প্ৰকাশ হৈ ওলাইছে খালেদ হোছেইনিৰ দ্বিতীয় উপন্যাস 'এ থাউজেণ্ড স্পেল্লেন্দিদ চান' (A Thousand Splendid Sun)। এই উপন্যাসখনো এখন বেষ্টচেলাৰ হিচাপে পৰিগণিত হৈছে। লিখকৰ তৃতীয় আৰু শেহতীয়া উপন্যাসখন হৈছে 'এণ্ড দা মাউণ্টটেইন ইক'দ' (And The Mountain Echoed)। ❖

# নাম্‌চি

■ সংগীতা দাস

নাম্‌চি। ভূটীয়া ভাষাত ‘নাম’ মানে আকাশ আৰু ‘চি’ মানে ওখ। অৰ্থাৎ আকাশৰ দৰে ওখ। সাগৰপৃষ্ঠৰপৰা ৫৫০০ ফুট উচ্চতাত এখন সৰু পাহাৰীয়া ঠাই নাম্‌চি। চিকিমৰ ৰাজধানী গেংটকৰপৰা ৯২ কিমি. আঁতৰৰ এই চহৰখনে পৰ্যটকক বিশেষভাৱে আকৰ্ষণ কৰে। আঁকোৰা-পকোৰা মসৃণ পাহাৰীয়া পথটো নাম্‌চি চহৰলৈ ক্ৰমান্বয়ে ওপৰলৈ উঠি গৈছে। গেংটক চহৰ অতিক্ৰম কৰাৰ লগে লগে এখন সেউজীয়া সৰু নদী পথৰ সমান্তৰালভাৱে বৈ গৈছে। এই অঞ্চলটোত কবি, গোমধান, বিভিন্ন ধৰণৰ শাক, বিলাহী, বীন আদিৰ খেতি হয়। পথৰ দাঁতিত থকা দোকানবোৰত চাহ-কফি, শীতল পানীয় আৰু চীন-তিব্বতীয় খাদ্যসম্ভাৰৰ জুটি ল’ব পৰা যায়। প্ৰায় দুঘণ্টামান এই পথ অতিক্ৰম কৰাৰ পিছত পোৱা যায় টেমি চাহ বাগিচা। ওখ-চাপৰ পাহাৰৰ টিলাবোৰ সেউজীয়া চাহ গছবোৰে ঢাকি ৰাখিছে। বতৰ ডাৱৰীয়া নহ’লে পৰ্যটকসকলে ইয়াৰপৰা কাঞ্চনজংঘাৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। টেমি চাহ বাগিচা পাৰ হৈ অহাৰ পিছত পৰ্যটকৰ গন্তব্যস্থান হৈছে চামদ্ৰুপট্‌চে পাহাৰ। নাম্‌চিৰপৰা প্ৰায় ৭ কিল’মিটাৰ আঁতৰৰ এই চামদ্ৰুপট্‌চে পাহাৰৰ ওপৰত থকা বৌদ্ধ বিহাৰটো বৰ ধুনীয়া। প্ৰৱেশ পথটোৰপৰা বৌদ্ধ বিহাৰলৈ উঠি যোৱা পথটোৰ সোঁকাষে ৰং-বিৰঙৰ বতাহত কঁপি থকা প্ৰাৰ্থনা পতাকাবোৰে পৰিবেশটো ভাল লগা কৰি তোলে। পথটোৰ বাঁওফালে থকা থিয় পাহাৰৰ গাত গছ আৰু জোপোহানিৰ মাজত কিছুমান চাউণ্ড বক্স লুকাই থোৱা আছে। তাৰ পৰা অনবৰত ভাঁহি আহে সুমধুৰ বৌদ্ধ মন্ত্ৰোচ্চাৰণৰ ধ্বনি। মুঠতে চৌহদত প্ৰৱেশ কৰিয়েই চেঁচা বতাহ, সুমধুৰ সংগীত আৰু বনৰীয়া চৰাইৰ কল-কাকলিয়ে মুখৰিত কৰা এটা পৰিৱেশ। ইয়াত থকা বৌদ্ধ বিহাৰটোৰ ওপৰত ১১৮ ফুট ওখ গুৰু পদ্মসম্ভৱৰ এটা বিশাল মূৰ্তি আছে। এই গুৰুজনা গুৰু ৰিন্‌পোচ্চি নামেৰেও জনাজাত। ২০০৪ চনৰ ফেব্ৰুৱাৰি মাহত এই মূৰ্তিটো প্ৰতিষ্ঠা কৰা হয়। চামদ্ৰুপট্‌চে পাহাৰৰ ওপৰত থকা এই ১১৮ ফুট ওখ মূৰ্তিটো দূৰৰপৰাই দেখা যায়।



নাম্‌চিৰ দ্বিতীয় আকৰ্ষণীয় ঠাই হৈছে চাৰি ধাম। চিকিমৰ মুখ্যমন্ত্ৰী পৱন চাম্‌লিঙৰ সপোনৰ বাস্তৱায়িত ৰূপ এই চাৰি ধাম। হিন্দু ধৰ্মৰ চাৰি ধাম—জগন্নাথ মন্দিৰ, বদ্ৰিনাথ মন্দিৰ, দ্বাৰকা আৰু ৰামেশ্বৰম মন্দিৰৰ প্ৰতিৰূপ ইয়াত নিৰ্মাণ কৰা হৈছে। এই পাহাৰৰ টিলাত থকা ১০৮ ফুট ওখ শিৱৰ মূৰ্তিটো আধুনিক যুগৰ ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন। ২০১১ চনত এই সিদ্ধেশ্বৰ ধাম দৰ্শনাৰ্থীৰ বাবে মুকলি কৰি দিয়া হয়। চিকিমত সাধাৰণতে দেখিবলৈ পোৱা বৌদ্ধ বিহাৰবোৰৰ পৰিবেশৰ লগত এই পৰিৱেশ একেবাৰে ভিন্ন। মন্দিৰৰ চৌহদত প্ৰৱেশ কৰিয়েই দৰ্শনাৰ্থীয়ে শুনিবলৈ পায় বেদৰ মন্ত্ৰোচ্চাৰণৰ ধ্বনি অথবা ঘণ্টাধ্বনি।

নাম্‌চিৰ আচানথাং নামৰ ঠাইত ২০১০ চনৰ নৱেম্বৰ মাহত চিৰ্দিৰ সাই বাবাৰ মন্দিৰ এটাৰ নিৰ্মাণ কাৰ্য সম্পন্ন কৰা হয়। বগা ৰঙৰ এই মন্দিৰটোত সোণালী ৰঙেৰে বিভিন্ন কাৰুকাৰ্য কৰা হৈছে। মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰি পৰ্যটকে একান্ত মনে ভগৱানক আৰাধনা কৰিব পাৰে। ❖

# চুডʼকু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুডʼকু ১১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 3 | 2 | | | 7 | | 6 | 1 |
| | 1 | 4 | 5 | 8 | 3 | | 9 | 7 |
| 9 | 7 | | | 2 | | 4 | 3 | 5 |
| | 8 | 7 | | 5 | 6 | | | 2 |
| 2 | 6 | 1 | | | 4 | 5 | 8 | |
| | 5 | 9 | 8 | | | 7 | 4 | 6 |
| 8 | 2 | | 1 | 4 | 5 | | | |
| | 4 | 5 | 7 | | 9 | 6 | 2 | 8 |
| 7 | 9 | | | 6 | 8 | 1 | | 4 |

## চুডʼকু ১২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 4 | 3 | 7 | | | 5 | | 9 |
| 5 | 9 | | 4 | 6 | 1 | | 3 | 7 |
| | 6 | | 5 | | 3 | 4 | | 1 |
| 3 | 8 | 7 | 6 | 1 | | 2 | 9 | |
| | 2 | | | | 7 | | 1 | |
| 9 | 1 | 5 | 2 | | 8 | | | 6 |
| | 3 | | 8 | 4 | | 1 | 7 | 2 |
| 8 | | | 1 | | | | 5 | |
| | 5 | | 3 | | 6 | | 8 | |

## চুডʼকু ৯ আৰু ১০ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 6 | 3 | 1 | 8 | 5 | 2 | 7 | 9 |
| 5 | 2 | 7 | 3 | 9 | 4 | 8 | 6 | 1 |
| 9 | 1 | 8 | 2 | 6 | 7 | 3 | 5 | 4 |
| 3 | 5 | 9 | 7 | 1 | 8 | 4 | 2 | 6 |
| 6 | 7 | 2 | 9 | 4 | 3 | 1 | 8 | 5 |
| 8 | 4 | 1 | 6 | 5 | 2 | 7 | 9 | 3 |
| 7 | 3 | 5 | 4 | 2 | 9 | 6 | 1 | 8 |
| 2 | 8 | 6 | 5 | 3 | 1 | 9 | 4 | 7 |
| 1 | 9 | 4 | 8 | 7 | 6 | 5 | 3 | 2 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 7 | 3 | 2 | 5 | 9 | 6 | 1 | 8 |
| 2 | 5 | 6 | 8 | 7 | 1 | 4 | 9 | 3 |
| 1 | 9 | 8 | 3 | 6 | 4 | 5 | 7 | 2 |
| 3 | 1 | 7 | 4 | 8 | 6 | 2 | 5 | 9 |
| 6 | 2 | 5 | 1 | 9 | 7 | 3 | 8 | 4 |
| 9 | 8 | 4 | 5 | 2 | 3 | 1 | 6 | 7 |
| 5 | 4 | 9 | 7 | 1 | 2 | 8 | 3 | 6 |
| 8 | 6 | 2 | 9 | 3 | 5 | 7 | 4 | 1 |
| 7 | 3 | 1 | 6 | 4 | 8 | 9 | 2 | 5 |

**শুদ্ধ উত্তৰ দিওঁতা :** অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) ধীৰুস্মিতা বৰ্মন (৮ম), ভাবনা কলিতা (৬ষ্ঠ), জুৰি কলিতা (৮ম), ছন্দময় মহন্ত (৭ম), ভায়োলিনা কলিতা (৭ম), ভায়োলিনা বড়ো (৬ষ্ঠ), মৃন্ময় কলিতা (৮ম), লিওজিত ডেকা (৫ম), মৃগাংক মহন্ত (৪ৰ্থ), পংকজ ভূএগ্ৰা (৫ম), অভিষেক নাথ (৫ম), দেৱাশীষ শৰ্মা (৫ম), দ্বীপশিখা তালুকদাৰ (৭ম), নিশামণি মহন্ত (১০ম), অংকিতা খনিকৰ (৮ম), উপমা শৰ্মা (৭ম), নয়নমণি কলিতা (৭ম), ৰূপাঞ্জলি কলিতা (৯ম), উপাসনা কলিতা (৮ম), চিমি কলিতা (৬ষ্ঠ), শ্ৰুতি শৰ্মা (৬ষ্ঠ), কৃষ্টিনা লহকৰ (৬ষ্ঠ), নৈমিষা চুতীয়া (৭ম), দিব্যজ্যোতি কলিতা (৮ম), সঞ্জীৱ কলিতা (৫ম), অম্লান শৰ্মা (৬ষ্ঠ), ভৃগু কুমাৰ ডেকা (৯ম), বিশাল ৰাজবংশী (৯ম), কৌস্তভ মহন্ত (৭ম), বৃষ্টি বৈশ্য (৭ম)।

# ভাৰতৰ ৰাজনৈতিক দল আৰু স্বীকৃতি

■ প্ৰণীতা দেৱী

বৰ্তমান যুগ গণতন্ত্ৰৰ যুগ। গণতান্ত্ৰিক শাসন বুলিলে ৰাজনৈতিক দলৰ শাসনকে বুজা যায়। ৰাজনৈতিক দল হৈছে এনে এক জনসমষ্টি যাৰ উমৈহতীয়া ৰাজনৈতিক উদ্দেশ্য থাকে। ৰাজনৈতিক দলসমূহ নিৰ্দিষ্ট লক্ষ্য, আদৰ্শ আৰু কৰ্মপন্থাৰে পৰিচালিত। এনে দলসমূহে নিৰ্বাচনত অংশগ্ৰহণ কৰি চৰকাৰ গঠনত ভাগ লয় বা লোৱাৰ চেষ্টা কৰে।

ভাৰতবৰ্ষত বহুতো ৰাজনৈতিক দল আছে। ৰাজনৈতিক দলসমূহে স্থানীয়, ৰাজ্যিক অথবা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাজনীতিত অংশগ্ৰহণ কৰিবৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগত পঞ্জীয়নভুক্ত হ'ব লাগে। আনহাতে এনে পঞ্জীয়নভুক্ত দলসমূহে ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক দলৰ মৰ্যাদা লাভ কৰিবলৈ কিছুমান চৰ্ত পূৰণ কৰিব লাগে।

নিৰ্বাচন আয়োগত পঞ্জীয়নভুক্ত দল এটাই ৰাজ্য এখনত ৰাজ্যিক দলৰ মৰ্যাদা লাভ কৰিবলৈ তলৰ চৰ্তকেইটাৰ যিকোনো এটা পূৰণ কৰিব লাগিব। চৰ্তকেইটা হ'ল—

১। দলটোৱে ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনত মুঠ বৈধ ভোটৰ ৬ শতাংশ ভোট লাভ কৰিব লাগিব। ইয়াৰ লগতে সংশ্লিষ্ট ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনত কমেও ২ খন আসনত জয়লাভ কৰিব লাগিব।

২। দলটোৱে লোকসভা নিৰ্বাচনত সংশ্লিষ্ট ৰাজ্যখনত মুঠ বৈধ ভোটৰ ৬ শতাংশ ভোট লাভ কৰিব লাগিব আৰু ৰাজ্যখনৰপৰা লোকসভাৰ কমেও এখন আসন লাভ কৰিব লাগিব।

৩। দলটোৱে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত ৩ শতাংশ আসন লাভ কৰিব লাগিব বা কমেও ৩ খন আসন লাভ কৰিব লাগিব।

৪। দলটোৱে সংশ্লিষ্ট ৰাজ্যখনৰপৰা লোকসভা নিৰ্বাচনত প্ৰতি ২৫ খন আসনৰ বিপৰীতে এখনকৈ আসন লাভ কৰিব লাগিব। যদি ৰাজ্যখনত মুঠ লোকসভা আসনৰ সংখ্যা ২৫তকৈ কম হয় তেনেহ'লে দলটোৱে কমেও ১ খন আসন লাভ কৰিব লাগিব।

নিৰ্বাচন আয়োগৰ ওচৰত পঞ্জীয়নভুক্ত দল এটাই ৰাষ্ট্ৰীয় দলৰ মৰ্যাদা লাভ কৰিবলৈ হ'লে তিনিটা চৰ্তৰ যিকোনো এটা পূৰণ কৰিব লাগিব। এই চৰ্ত তিনিটা হ'ল—

১। এটা দলে কমেও তিনিখন পৃথক ৰাজ্যৰপৰা লোকসভাৰ ২ শতাংশ আসন লাভ কৰিব লাগিব।

২। কোনো লোকসভা বা বিধানসভা নিৰ্বাচনত চাৰিখন ৰাজ্যত দলটোৱে ৬ শতাংশ বৈধ ভোট লাভ কৰিব লাগিব। লগতে লোকসভা নিৰ্বাচনত চাৰিখন ৰাজ্যৰ ভিতৰত মুঠ চাৰিখন আসন লাভ কৰিব লাগিব।

৩। দলটোৱে চাৰিখন বা ততোধিক ৰাজ্যত ৰাজ্যিক দলৰ মৰ্যাদা লাভ কৰিব লাগিব।

কোনো লোকসভা অথবা ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক দলবোৰে এই চৰ্তসমূহ পূৰণ কৰিব নোৱাৰিলে ৰাজ্যিক অথবা ৰাষ্ট্ৰীয় দল হিচাপে লাভ কৰা স্বীকৃতি হেৰুৱাব।

২০১৪ চনৰ মাৰ্চ মাহত নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি বৰ্তমান ভাৰতবৰ্ষত মুঠ পঞ্জীভুক্ত দলৰ সংখ্যা হ'ল ১৬৫৩টা। ইয়াৰে ৬টা দল ৰাষ্ট্ৰীয় ৰাজনৈতিক দল হিচাপে স্বীকৃত। এই দলকেইটা হ'ল—

১। ভাৰতীয় জাতীয় কংগ্ৰেছ (Indian National Congress)

২। ভাৰতীয় জনতা পাৰ্টি (Bharatiya Janata Party)

৩। ভাৰতৰ কমিউনিষ্ট দল (Communist Party of India)

৪। ভাৰতৰ কমিউনিষ্ট দল (মাৰ্ক্সবাদী) (Communist Party of India–Marxist)

৫। বহুজন সমাজবাদী পাৰ্টি (Bohujan Samajbadi Party)

৬। ৰাষ্ট্ৰবাদী কংগ্ৰেছ পাৰ্টি (Nationalist Congress Party)

নিৰ্বাচন আয়োগে স্বীকৃতি দিয়া আঞ্চলিক দলৰ সংখ্যা ৫৪টা। ইয়াৰ ভিতৰত অসমৰ দল তিনিটা হ'ল— 'অসম গণ পৰিষদ', 'বি পি এফ' আৰু 'এ আই ইউ ডি এফ'। আনহাতে আম আদমী পাৰ্টিয়েও দিল্লীত আঞ্চলিক দলৰ মৰ্যাদা লাভ কৰিছে। তদুপৰি ভাৰতবৰ্ষত বৰ্তমান ১৫৯৩টা পঞ্জীভুক্ত অথচ স্বীকৃতি লাভ নকৰা ৰাজনৈতিক দল আছে।

**শব্দটোকা**

**নিৰ্বাচন আয়োগ :** নিৰ্বাচন আয়োগ ভাৰতৰ সংবিধান অনুযায়ী গঠিত এটা স্থায়ী আৰু স্বতন্ত্ৰ অনুষ্ঠান। ১৯৫০ চনৰ জানুৱাৰি মাহত নিৰ্বাচন আয়োগ গঠিত হৈছিল। এই আয়োগৰ প্ৰথম মুখ্য নিৰ্বাচন আয়ুক্ত আছিল সুকুমাৰ সেন। উল্লেখযোগ্য যে আৰম্ভণিতে কেৱল মুখ্য নিৰ্বাচন আয়ুক্তৰে নিৰ্বাচন আয়োগ গঠিত হৈছিল। কিন্তু বৰ্তমান এজন মুখ্য নিৰ্বাচন আয়ুক্ত আৰু দুজন নিৰ্বাচন আয়ুক্তকে ধৰি মুঠ তিনিজন সদস্যৰে নিৰ্বাচন আয়োগ গঠিত। দেশত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাই হ'ল নিৰ্বাচন আয়োগৰ মুখ্য দায়িত্ব। ভাৰতৰ সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদে ভাৰতৰ নিৰ্বাচন আয়োগক কেন্দ্ৰীয় সংসদ, ৰাজ্যিক বিধানমণ্ডল, ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতিৰ নিৰ্বাচন পৰিচালনা, নিৰীক্ষণ আৰু নিয়ন্ত্ৰণৰ দায়িত্ব দিছে। ❖

BPF : Bodoland Peoples' Front

AIUDF : All India United Democratic Front

## ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট মন্ত্ৰীসকল আৰু তেওঁলোকৰ দপ্তৰসমূহ

**নৰেন্দ্ৰ মোডী :** আণৱিক শক্তি, মহাকাশ আৰু ঘোষণা নকৰা আন দপ্তৰসমূহ

**ৰাজনাথ সিং :** গৃহ বিভাগ

**সুষমা স্বৰাজ :** বৈদেশিক পৰিক্ৰমা

**অৰুণ জেট্‌লি :** বিত্ত আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ, প্ৰতিৰক্ষা

**এম. ভেংকেয়া নাইডু :** নগৰ উন্নয়ন, গৃহ নিৰ্মাণ আৰু নগৰীয়া দৰিদ্ৰতা নিৰ্মূলকৰণ, সংসদীয় পৰিক্ৰমা

**নীতিন গাডকাৰী :** পথ পৰিবহন, ৰাষ্ট্ৰীয় ঘাইপথ, জল পৰিবহন

**সদানন্দ গৌড়া :** ৰেল বিভাগ

**উমা ভাৰতী :** জলসম্পদ, নদী উন্নয়ন

**নাজমা হেপাতুল্লা :** সংখ্যালঘু পৰিক্ৰমা

**ৰামবিলাস পাছোৱান :** গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ

**কালৰাজ মিশ্ৰ :** লঘু উদ্যোগ

**মানেকা গান্ধী :** মহিলা আৰু শিশু উন্নয়ন

**অনন্ত কুমাৰ :** ৰাসায়নিক দ্ৰব্য আৰু সাৰ বিভাগ

**ৰবি শংকৰ প্ৰসাদ :** যোগাযোগ, তথ্য প্ৰযুক্তি আৰু আইন

**অশোক গজপতি ৰাজু :** অসামৰিক পৰিবহন

**অনন্ত গীটে :** গুৰু উদ্যোগ আৰু ৰাজহুৱা উদ্যোগ

**হৰসিমৰত কৌৰ বাদল :** খাদ্য প্ৰস্তুতকৰণ উদ্যোগ

**নৰেন্দ্ৰ সিং তোমৰ :** খনি, তীখা, শ্ৰম আৰু নিয়োগ

**জুয়েল অ'ৰাম :** জনজাতি পৰিক্ৰমা

**ৰাধামোহন সিং :** কৃষি

**থাৱাৰছন্দ গেহলট :** সামাজিক ন্যায় আৰু সবলীকৰণ

**স্মৃতি ইৰাণী :** মানৱ সম্পদ উন্নয়ন

**ডা° হৰ্ষবৰ্দ্ধন :** স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ❖

# গুৱাহাটীৰ ঐতিহ্যময় ভৱন

■ মিতালী ঠাকুৰীয়া

হেৰিটেজ (Heritage) বা ঐতিহ্য বুলি ক'লে ইতিহাসপ্ৰসিদ্ধ পৰম্পৰা বা বস্তুকেই বুজা যায়। ঐতিহ্য সংৰক্ষণ সমিতিৰ (Heritage Conservation Committee) সংজ্ঞা অনুসৰি ঐতিহ্য হ'বলৈ যিকোনো এটা প্ৰাকৃতিক বা সাংস্কৃতিক অৱয়বৰ স্থিতি কমেও ৫০ বছৰৰ বেছি হ'ব লাগিব। অৱয়বটোৰ নিৰ্দিষ্ট প্ৰাকৃতিক সৌন্দৰ্য/স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন, সাংস্কৃতিক আৰু ঐতিহাসিক বৈশিষ্ট্য সন্নিৱিষ্ট হৈ থাকিব লাগিব। এনে



*ৰসায়নবিজ্ঞান বিভাগ, কটন কলেজ, গুৱাহাটী*

কিছুমান পুৰণি সুকীয়া স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শনত নিৰ্মিত আবাসগৃহ গুৱাহাটী মহানগৰীত দেখিবলৈ পোৱা যায়। ১৯৭১ চনৰ পিছত ছিলঙৰপৰা গুৱাহাটীলৈ অসমৰ ৰাজধানী স্থানান্তৰ হোৱাৰ লগে লগে গুৱাহাটী মহানগৰখনৰ দ্ৰুতগতিত উদ্যোগীকৰণ আৰু নগৰীকৰণ হ'বলৈ ধৰে। তাৰ ফলত জনসংখ্যাৰ সোঁত ববলৈ আৰম্ভ হয়। অধিক জনসংখ্যাৰ বাবে গুৱাহাটীত থকা ঠাইৰ অভাৱ হ'বলৈ আৰম্ভ হ'ল যাৰ বাবে মানুহে তেওঁলোকৰ পূৰ্বপুৰুষসকলে নিৰ্মাণ কৰি থৈ যোৱা ঘৰবোৰ ভাঙি তাৰ ঠাইত নতুন অসম আৰ্হি আৰু কংক্ৰিটৰ (R.C.C.) অট্টালিকা সাজিবলৈ ধৰিলে। খাদ্য আৰু সাজপাৰৰ দৰে বাসস্থান বা ঘৰেও এটা জাতিৰ পৰম্পৰা আৰু সংস্কৃতিৰ পৰিচয় দাঙি ধৰে। সেয়েহে এই বিশেষ পুৰণি ঘৰবোৰৰ বৰ্তমানৰ সময়ত সংৰক্ষণৰ প্ৰাসংগিকতা আহি পৰিছে।

বিশ্বৰ বিভিন্ন দেশত কিছুমান ঐতিহ্য সংৰক্ষণ সমিতি বা সংস্থা গঢ়ি উঠিছে; যাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হ'ল পুৰণি আবাস (buildings), দ'ল, মঠ-মন্দিৰ আদি সংৰক্ষণ কৰা আৰু ৰক্ষণাবেক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

বিশ্বৰ প্ৰায়বোৰ দেশতে এনে পুৰণি আবাস বা কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ বাবে ঐতিহ্য সংৰক্ষণ আইন Heritage Conservation Act ৰূপায়ণ কৰি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু আমাৰ দেশত বা অসমত এনে আইন এতিয়াও ৰূপায়িত হোৱা নাই। যাৰ ফলত বহুতো পুৰণি কীৰ্তিচিহ্ন কিছুমান ভগ্নপ্ৰায় অৱস্থালৈ পৰিণত হৈছে।

গুৱাহাটীৰ বিশেষকৈ উজান বজাৰ অঞ্চলত এতিয়াও ১০০ বছৰতকৈও পুৰণি অসম আৰ্হিৰ ঘৰ কিছুমান দেখিবলৈ পোৱা যায়; এই ঘৰবোৰত ব্যৱহৃত সঁজুলি, স্থাপত্য আৰ্হিৰ এক সুকীয়া বৈশিষ্ট্য আছে। গুৱাহাটীত অৱস্থিত এনে পুৰণি আবাসসমূহৰ উল্লেখযোগ্য কিছুমান হ'ল—উপায়ুক্তৰ আবাসগৃহ (D.C. Bungla, 1839), কটন কলেজ (১৯০১), নবীন চন্দ্ৰ বৰদলৈ পুথিভঁৰাল (১৯১২), কটন কলেজৰ অধ্যক্ষৰ আবাস (১৯০১), কটন কলেজৰ ছাত্ৰাবাস, ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস, আনন্দৰাম বৰুৱা ছাত্ৰাবাস (১৯১২), কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস, কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয় (১৯৩৫), সোণাৰাম উচ্চ মাধ্যমিক বিদ্যালয় (১৮৯৪), বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয় (১৯৩৫), পাণবজাৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় (১৮৮৩), আৰ্ল ল' কলেজ (১৯১২), সন্দিকৈ ছোৱালী মহাবিদ্যালয় (১৯৩৭), কামৰূপ অনুসন্ধান সমিতিৰ কাৰ্যালয় (১৯১২), আৰ্য নাট্য মন্দিৰ



*নৰ্থ ব্ৰুক গেট*

(এতিয়াৰ AMSA House, ১৯৩০), হিষ্ট্ৰী এণ্ড এণ্টিকুৰেৰিয়ান বিভাগ (১৮৯৪) (Dept. of History & Antiquarian Studies, 1894), নৰ্থ ব্ৰুক গেট (১৮৭৪), গান্ধী ঘৰ (১৯৪৬), কুমাৰ ভাস্কৰ নাট্য মন্দিৰ (১৯১৫), মহাৰাণা ক্লাব (১৯০০), গুৱাহাটী ক্লাব (১৮৯৪), গুৱাহাটী খ্ৰীষ্টান গীৰ্জা ঘৰ (১৮৪৫), বেপ্তিষ্ট গীৰ্জাঘৰ (১৮৪৫), ছাত্ৰীবাৰী খ্ৰীষ্টান হস্পিটেল (১৯২৬) ইত্যাদি। ইয়াৰ উপৰিও অধিক পুৰণি ব্যক্তিগত বাসস্থান বা ঘৰ উজান বজাৰ, লতাশিল, ভৰলু, শান্তিপুৰ আদি অঞ্চলত দেখিবলৈ পোৱা যায়। এই ঘৰসমূহৰ বয়সো ১০০ বছৰ পাৰ হৈ গৈছে। এই লোকসকলে তেওঁলোকৰ পূৰ্বপুৰুষসকলে নিৰ্মাণ কৰি থৈ যোৱা ঘৰবোৰক আপুৰুগীয়া সম্পদ হিচাপে সংৰক্ষণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

গুৱাহাটীৰ প্ৰধান বাণিজ্যিক কেন্দ্ৰ পাণবজাৰ আৰু ফাঁচী বজাৰত থকা শেখ ব্ৰাদাৰ্চ বেকাৰী, কুঞ্জবিহাৰী বেনাৰ্জী এণ্ড চনচ্, খুবচান্দ এণ্ড চনছ মিউজিক আদি দোকানকেইখন উল্লেখযোগ্য। পুৰণি আবাসৰ নিদৰ্শন। মাটিৰ মূল্যক আওকাণ কৰিও তেওঁলোকে তেওঁলোকৰ পূৰ্বপুৰুষৰ স্মৃতিক এতিয়াও সজীৱ কৰি ৰখাৰ প্ৰয়াস কৰি ঘৰকেইটা অক্ষত অৱস্থাত ৰাখিবলৈ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। দ্ৰুত নগৰীকৰণৰ বাবে হেৰাই যাব ধৰা এনে গৃহসমূহক সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰশাসনে আইন প্ৰণয়ন কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাটো একান্ত আৱশ্যকীয়। ❖

## কি, ক'ত, কিয় বিখ্যাত

**জিনছ্ :** জিনছ্ বুলি ক'লে এতিয়া আৰু কাৰো অজানা নহয়। কিন্তু এই জিনছ্‌ৰ কাপোৰৰ আঁৰত এক মনোগ্ৰাহী কাহিনী লুকাই আছে। বৰ ঘনকৈ বোৱা এই কাপোৰবিধ সমগ্ৰ বিশ্বতে জনপ্ৰিয়। আজিৰপৰা প্ৰায় ৫০৫ বছৰৰ আগতে ফ্ৰান্সৰ নাইম (Nime) নামৰ ঠাইত 'ডেনিম' নামৰ এবিধ টান, খহটা, বগা সূতা পোৱা গৈছিল। ইয়াৰ বহু বছৰৰ পাছত ইটালীৰ জেনোৱা বন্দৰত জাহাজৰ নাৱিকসকলে এই বগা ডেনিম সূতাৰে পেণ্ট চিলাই লৈছিল। পিছে বগা পেণ্টবোৰ সোনকালে লেতেৰা হোৱা বাবে নাৱিকসকলে ইয়াক ৰং কৰি নীলা ৰং কৰি লৈছিল। নীলা ৰং হোৱা বাবে ইয়াৰ নাম হ'ল 'ব্লু ডেনিম'। আদিতে ইয়াৰ নাম আছিল জিন'ছ (Genocse)। পাছলৈহে ইয়াৰ নাম জিনছ্ হয়গৈ। ১৮৫০ চনমানত জাৰ্মানীৰ বভেৰিয়াৰ লেভি ষ্ট্ৰ'ছ নামৰ কাপোৰৰ ব্যৱসায়ী এজনে আমেৰিকালৈ এই কাপোৰ লৈ গৈছিল। তেতিয়া টম্বু সজা কামতহে এই কাপোৰ ব্যৱহৃত হৈছিল। পিছলৈ খনিত কাম কৰা শ্ৰমিকবিলাকে জিনছ্‌ৰ পেণ্ট পিন্ধিবলৈ লয়।

জিনছ্‌ৰ ইতিহাস দীঘলীয়া যদিও ঊনবিংশ শতিকাৰ মাজভাগমানৰ পৰাহে ই জনপ্ৰিয় হৈ পৰে। এতিয়া সমগ্ৰ বিশ্বতে জনপ্ৰিয় অন্যতম কাপোৰ হিচাপে পৰিগণিত হৈছে জিনছ্। ❖

**তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (পঞ্চম সংখ্যা, জুন, ২০১৪)**

১। সৰোজিনী নাইডু ২। 47 A ৩।জয়ন্ত হাজৰিকা ৪। আৰ্ল ল কলেজ ৫। অলিভাৰ টি. কাট্টাৰ

# কেইটামান আন্তঃৰাষ্ট্ৰীয় সংস্থা

■ ৰুণিমা শৰ্মা

**কমনৱেলথ দেশসমূহৰ সংগঠন** (Organisation of Commonwelth Countries) **:** ১৯৪৯ চনত 'লণ্ডন ঘোষণা পত্ৰ'ৰ জৰিয়তে কমনৱেলথ দেশসমূহৰ সংস্থা গঠন হৈছিল। সৰ্বমুঠ ৫৩ খন দেশৰ প্ৰতিনিধিৰে এই সংস্থাটো গঠন হৈছে। ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনৰ এই আটাইকেইখন দেশক এই সংস্থাটোৱে মুক্ত আৰু স্বাধীন হিচাপে প্ৰতিষ্ঠা কৰিছে। এই সংস্থাৰ মুৰব্বী হ'ল দ্বিতীয় ৰাণী এলিজাবেথ। কমনৱেলথৰ আটাইকেইখন দেশ ভাষা, ইতিহাস, সংস্কৃতি, গণতন্ত্ৰ, মানৱ অধিকাৰ, আইনৰ শাসন আদি নীতিসমূহৰ ভিত্তিত একত্ৰিত হৈছে। এই সংস্থাৰ প্ৰধান উদ্দেশ্য হ'ল বিশ্ব শান্তিৰ প্ৰসাৰ; প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ প্ৰতিষ্ঠা; ব্যক্তিগত স্বাধীনতা, সমতা, পৰিবেশ সংৰক্ষণ আদিৰ ব্যৱস্থা কৰা।

**জি-৮ দেশসমূহৰ ফ'ৰাম** (G8 Forum) **:** মুঠ আঠখন দেশৰ উমৈহতীয়া উদ্দেশ্যৰ ভিত্তিত এই ফ'ৰামখনে জন্ম লাভ কৰিছিল। ১৯৭৫ চনত সৃষ্টি হোৱা এই ফ'ৰামখন পোনপ্ৰথমে ৬ খন সদস্য ৰাষ্ট্ৰৰে গঠিত হৈছিল। এই ৰাষ্ট্ৰসমূহ আছিল ফ্ৰান্স, পশ্চিম জাৰ্মানী, ইটালী, জাপান, ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। কানাডাৰ অন্তৰ্ভুক্তিৰ পিছত এই ফ'ৰামখন জি-৭ আৰু অৱশেষত ৰাছিয়াৰ অন্তৰ্ভুক্তিয়ে জি-৮ হিচাপে প্ৰতিষ্ঠা কৰিলে। আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয় যেনে—স্বাস্থ্য, আইন, অৰ্থনীতি, সামাজিক উন্নয়ন, শক্তি, পৰিবেশ, বৈদেশিক বিষয়, ন্যায়, সন্ত্ৰাসবাদ নিৰ্মূল, বাণিজ্যৰ উন্নীতকৰণ আদিৰ ক্ষেত্ৰত সহযোগিতা স্থাপনেই এই আঠখন দেশৰ প্ৰধান উদ্দেশ্য।

**দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সংস্থা** (Association of South-East Asian Nations, ASEAN) **:** দক্ষিণ-পূব এছিয়াৰ ১০ খন দেশৰ এটা অৰ্থনৈতিক আৰু ৰাজনৈতিক সংস্থা। ১৯৬৭ চনৰ ৮ আগষ্ট তাৰিখে ইণ্ডোনেছিয়া, মালেছিয়া, ফিলিপাইনছ, ছিংগাপুৰ, থাইলেণ্ড আদি দেশসমূহে এই সংস্থাটোৰ জন্ম দিছিল। পিছলৈ ব্ৰুনেই, বাৰ্মা, কেম্ব'ডিয়া, লাউচ, ভিয়েটনাম আদি দেশসমূহে এই সংস্থাৰ সদস্যপদ গ্ৰহণ কৰে। এই অনুষ্ঠানটোৰ প্ৰধান উদ্দেশ্য হ'ল—দেশসমূহৰ মাজত অৰ্থনৈতিক উন্নয়ন, সামাজিক প্ৰগতি, পৰিবেশ সংৰক্ষণ, আঞ্চলিক শান্তি আৰু উন্নতিৰ প্ৰসাৰ ঘটোৱা। এই সংস্থাৰ দ্বিতীয় উদ্দেশ্যটো হ'ল—আইনৰ শাসন আৰু ৰাষ্ট্ৰসংঘৰ চনদৰ ওপৰত ভিত্তি কৰি আঞ্চলিক শান্তি আৰু স্থিৰতা ৰক্ষা কৰা।

**উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)** (North Atlantic Treaty Organisation, NATO) **:** ১৯৪৯ চনৰ ৪ এপ্ৰিল তাৰিখে পশ্চিম ইউৰোপৰ দেশসমূহৰ লগত আমেৰিকাই গঢ় দিয়া এটা সামৰিক সংস্থা। বেলজিয়ামৰ ব্ৰাছেলছত এই সংস্থাটোৰ মুখ্য কাৰ্যালয় অৱস্থিত। প্ৰথমতে ১২ খন সদস্য ৰাষ্ট্ৰৰে জন্ম লাভ কৰা এই সংস্থাটোৰ বৰ্তমানৰ সদস্য সংখ্যা ২৮ খন দেশ। এই সংস্থাটোৰ প্ৰধান উদ্দেশ্য হ'ল যিকোনো এখন দেশৰ বহিৰাক্ৰমণৰ সময়ত সামূহিক নিৰাপত্তা প্ৰদান কৰা। এই ক্ষেত্ৰত ব'ছনিয়া সংঘৰ্ষ, আফগানিস্তানৰ যুদ্ধ, লিবিয়াৰ সংঘৰ্ষত এই সংস্থাটোৰ অবদান উল্লেখনীয়। অৰ্থাৎ কোনো শত্ৰু শক্তিয়ে আক্ৰমণ কৰিলে পাৰস্পৰিক প্ৰতিৰক্ষাৰ বাবে এক সামূহিক ব্যৱস্থা গঢ়ি তোলাই আছিল এই সংগঠনৰ মূল লক্ষ্য।

**দক্ষিণ এছিয়াৰ আঞ্চলিক সহযোগিতা সংস্থা (ছাৰ্ক)** (South Asian Association for Regional Co-operation, SAARC) **:** ১৯৮৫ চনত ভাৰত, পাকিস্তান, নেপাল, ভুটান, বাংলাদেশ, শ্ৰীলংকা,

মালদ্বীপ আদি দেশকেইখনে নিজৰ মাজত সহযোগিতা আৰু বন্ধুত্বৰ সম্পৰ্ক গঢ়ি তোলাৰ বাবে ছাৰ্ক নামৰ সংস্থাটোৰ জন্ম দিছিল। বাংলাদেশৰ ঢাকাত এই সংস্থাটো গঠন কৰা হৈছিল। ছাৰ্কৰ সদস্য ৰাষ্ট্ৰবিলাকে দক্ষিণ এছিয়া মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰি এটা মুক্ত বাণিজ্য মণ্ডল সমগ্ৰ দক্ষিণ এছিয়াৰ কাৰণে গঠন কৰাত প্ৰতিজ্ঞাবদ্ধ হৈছিল। এই সংস্থাৰ অন্তৰ্গত আটাইকেইখন দেশে যুদ্ধৰ পৰিৱৰ্তে শান্তি প্ৰতিষ্ঠা, অৰ্থনৈতিক উন্নয়ন, বেপাৰ-বাণিজ্যৰ সম্প্ৰসাৰণ, পাৰস্পৰিক সহযোগিতা, নিৰাপত্তা বৃদ্ধি কৰা আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব দিছিল। দেশসমূহৰ মাজত পাৰ-পত্ৰ সহজলভ্য কৰি দিয়া হৈছিল। নেপালৰ কাঠমাণ্ডুত এই সংস্থাটোৰ প্ৰধান কাৰ্যালয় অৱস্থিত। দক্ষিণ এছিয়াৰ দেশসমূহৰ প্ৰধান সমস্যাসমূহ যেনে—সন্ত্ৰাসবাদ, দৰিদ্ৰতা, নিবনুৱা সমস্যা আদি এই অঞ্চলৰপৰা আঁতৰ কৰাৰ ক্ষেত্ৰতো ছাৰ্কে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ❖

# চমুকৈ ষ্টক বিনিময় বজাৰ

**■ অপৰ্ণা দেৱী**

বিত্তীয় অনুষ্ঠানসমূহে মূলধন সংগ্ৰহ কৰাৰ বাবে অনুষ্ঠানটোৰ অংশদাৰিত্ব বিক্ৰী কৰে। তাৰ বিনিময়ত অনুষ্ঠানটোৱে ক্ৰেতাক এখন প্ৰমাণ-পত্ৰ প্ৰদান কৰে। ইয়াকে অংশপত্ৰ বোলা হয়। এই অংশদাৰিত্ব অনুষ্ঠানটোৱে কিছুমান সৰু সৰু ভাগত বিক্ৰী কৰে। এজন ক্ৰেতাই ক্ৰয় কৰা অংশৰ মুঠ মূল্যক ষ্টক বোলা হয়। যিসকল লোকে অংশপত্ৰ কিনে তেওঁলোকক অংশপত্ৰৰ গৰাকী (Share holders) বোলে। ষ্টক বিনিময় (Stock Exchange) বজাৰ বা অংশপত্ৰৰ বজাৰ হ'ল এটা বিত্তীয় অনুষ্ঠান। সেই বিত্তীয় অনুষ্ঠানটোৰ জৰিয়তে অংশপত্ৰ আৰু ষ্টকৰ বেচা-কিনা হয়। ষ্টক বিনিময় বজাৰখন মূলধন বজাৰেৰে এটা অংশ সদৃশ।

উপাৰ্জনকাৰী ব্যক্তিসকলৰ উপাৰ্জনৰ যি অংশ ৰাহি হয় সেই ৰাহি হোৱা ধনেৰে অংশপত্ৰ ক্ৰয় কৰে। ৰাহি বা সঞ্চয় বিনিয়োগ কৰাটো মানুহৰ এক সহজাত প্ৰবৃত্তি। অংশপত্ৰৰ গৰাকীসকলে তেওঁলোকৰ সঞ্চয় অংশপত্ৰত বিনিয়োগ কৰে। সঞ্চয়কাৰীয়ে যিটো প্ৰতিষ্ঠানৰপৰা অংশপত্ৰ কিনে, সেই প্ৰতিষ্ঠানটোৰ লাভৰ অংশ তেওঁলোকে উপভোগ কৰিব পাৰে। লাভৰ ভাগ পোৱাৰ লগতে তেওঁলোকে সেই প্ৰতিষ্ঠানটোৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ লগত জড়িত হোৱাৰ সুযোগ পায়। সেই নিৰ্দিষ্ট প্ৰতিষ্ঠানটোৱে লোকচানৰ সন্মুখীন হ'লে তেওঁলোকে অৱশ্যে লোকচানৰো ভাৰ বহন কৰিবলগীয়া হয়।




অংশপত্ৰ কিনিব খোজা ব্যক্তিয়ে পোনছাটেই অংশপত্ৰ বজাৰ বা ষ্টক বজাৰৰপৰা অংশপত্ৰ কিনিব বা বেচিব নোৱাৰে। দালালৰ (Broker) জৰিয়তেহে অংশপত্ৰ বেচা-কিনা কৰিব পৰা যায়। নিজ ইচ্ছাত নিজে নিজে কোনো ব্যক্তি দালাল হ'ব নোৱাৰে। প্ৰতিখন ষ্টক বিনিময় বজাৰৰ দালালৰ অনুমোদিত তালিকা এখন থাকে। সেই দালালৰ জৰিয়তেই ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধি আৰু সঞ্চয়কাৰীসকল একগোট হৈ লেন-দেন কৰে। ইণ্টাৰনেট, ম'বাইল ফ'নৰ জৰিয়তেও তেওঁলোকৰ সংযোগ স্থাপন হ'ব পাৰে।

ভাৰতবৰ্ষৰ আটাইতকৈ পুৰণি ষ্টক বিনিময় বজাৰখন হৈছে বোম্বে (মুম্বাই) ষ্টক বিনিময় বজাৰ। সেই বজাৰখন ১৮৭৫ চনত স্থাপিত হৈছিল। মুম্বাই ষ্টক বিনিময় বজাৰৰ অংশপত্ৰ মূল্যৰ সূচকক ছেনছেক্স (Sensex) বুলি কোৱা হয়। ছেনছেক্সৰ বাহিৰেও আমাৰ দেশৰ আন এবিধ সূচক হ'ল ৰাষ্ট্ৰীয় ষ্টক বিনিময় বজাৰ সূচক (NSE index)। ৰাষ্ট্ৰীয় ষ্টক বিনিময় বজাৰ ১৯৯৪ চনত স্থাপন কৰা হয় আৰু ইয়াৰো মুখ্য কাৰ্যালয় মুম্বাইত অৱস্থিত। ❖





# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলৰ কোনটো চিত্ৰই ভাৰত, অসম আৰু গুৱাহাটীৰ মাজৰ সম্পৰ্ক শুদ্ধকৈ বুজাব?

a) 
b) 
c) 
d) 

2. কোনটো চিত্ৰই ভাৰত, বিহাৰ আৰু অসমৰ মাজৰ সম্পৰ্ক বুজাব?

a) 
b) 
c) 
d) 

3. $572954 \times 697 = ?$

a) 399348938
b) 399348937
c) 399348936
d) 399348935

4. দুপৰীয়া 12 বজাত এটা ঘড়ীৰ মিনিটৰ কাঁটাডাল উত্তৰ-পূবমুৱা হৈ আছে। ১-৩০ বজাত ইয়াৰ ঘণ্টাৰ কাঁটাডাল কোনমুৱা হৈ থাকিব?

a) উত্তৰমুৱা
b) দক্ষিণমুৱা
c) পশ্চিমমুৱা
d) পূবমুৱা

5. আয়নালৈ চাই এজন মানুহে দেখিলে যে তেওঁৰ পিছফালে থকা দেৱাল ঘড়ীটোত 9 বাজিছে। আচলতে ঘড়ীটোত কেইটা বাজিছে?

a) 6টা
b) 3টা
c) 9টা
d) 12টা

6. অখিলৰ মাক মীনাৰ দেউতাকৰ একমাত্ৰ ছোৱালী। মীনাৰ গিৰীয়েক অখিলৰ কি হয়?

a) খুৰা
b) ককা
c) পিতা
d) ভাই

7. যদি বীৰেণৰ দেউতাক নৰেণৰ দেউতাকৰ একমাত্ৰ পুত্ৰ হয় তেন্তে বীৰেণ আৰু নৰেণৰ মাজত সম্পৰ্ক কি?

a) ভাই-ভাই　　b) খুৰা-ভতিজা
c) মামা-ভাগিন　　d) পিতা-পুত্ৰ

8. তলৰ শব্দবোৰৰ কোনটো অভিধানৰ আটাইতকৈ শেষত পোৱা যাব?

a) TRICKLE　　b) TRICYCLE
c) TRIANGLE　　d) TREAD


9. তলৰ শব্দবোৰৰ কোনটো অভিধানত প্ৰথমে পোৱা যাব?


a) PLAYER　　b) PLENTY
c) PLAIN　　d) PLACE


10. যদি সাংকেতিক ভাষাত '123' মানে 'চোকা সৰু ল'ৰা', '145' মানে 'ওখ ডাঙৰ ল'ৰা' আৰু '637' মানে 'ধুনীয়া সৰু ফুল' হয় তেন্তে কোনটো অংকই সেই ভাষাত 'চোকা' বুজাইছে?


a) 2　　b) 3　　c) 4　　d) 7


11. খালী ঠাইত কোনখন ছবি বহিব?





a) 




b) 

c) 

d) 


12. খালী ঠাইত কোনখন ছবি বহিব?




a) 　　b) 　　c) 　　d) 

**উত্তৰসমূহ :**

| | | | | | |
|---|---|---|---|---|---|
| 1) c | 2) b | 3) a | 4) d | 5) b | 6) c |
| 7) d | 8) b | 9) d | 10) a | 11) c | 12) d |


## সঘনাই মনলৈ অহা প্ৰশ্ন


- **পিয়াজ কাটিলে চকুপানী ওলায় কিয় ?**

☞ মানুহৰ চকুত থকা অশ্ৰু গ্ৰন্থিত (Lacrimal gland) চকুপানী তৈয়াৰ হয় আৰু বিভিন্ন কাৰণত এই পানী নিৰ্গত হয়। আবেগ-অনুভূতি, বিভিন্ন পদাৰ্থৰ সংস্পৰ্শ, চকুক সুৰক্ষা প্ৰদান কৰা আদিয়ে চকুপানী নিৰ্গত হোৱাৰ মূল কাৰণ। পিয়াজত মিথাইল ডাই ছালফাইড, প্ৰপাইল ডাই ছালফাইড, মিথাইল প্ৰপাইল ডাই ছালফাইড, এন প্ৰপেন থায়'এলডিহাইড, হাইড্ৰ'জেন ছালফাইড, ছালফাৰ ডাই অক্সাইড আদি কিছুমান উদ্বায়ী পদাৰ্থ থাকে। পিয়াজ কাটিলে এই পদাৰ্থসমূহ আমাৰ চকুত লাগে আৰু তাৰ বাবে আমাৰ চকুপানী ওলায়।

- **দূৰৈৰ বস্তু সৰু দেখা যায় কিয় ?**

☞ কোনো এটা বস্তু ডাঙৰ বা সৰু দেখা কথাটো নিৰ্ভৰ কৰে বস্তুটোৱে আমাৰ চকুত উৎপন্ন কৰা কোণটোৰ ওপৰত। কোণটো সৰু হ'লে বস্তুটো সৰু দেখি, কোণটো ডাঙৰ হ'লে বস্তুটো ডাঙৰ দেখি। কোনো এটা বস্তু ওচৰত থাকিলে বস্তুটোৱে উৎপন্ন কৰা কোণটো যি জোখৰ হয়, বস্তুটো দূৰত থাকিলে উৎপন্ন কৰা কোণটোৰ জোখ সৰু হয়। সেয়েহে দূৰত থকা বস্তুবোৰ তাৰ স্বাভাৱিক আকাৰতকৈ সৰু দেখা যায়।




- **সূৰ্য গ্ৰহণৰ সময়ত সূৰ্যলৈ চাব নালাগে কিয় ?**

☞ সূৰ্যৰপৰা দুই ধৰণৰ পোহৰৰ ৰশ্মি ওলায়। এবিধৰ সহায়ত আমি দেখা পাওঁ। ইয়াক দৃশ্যমান পোহৰৰ ৰশ্মি বোলে। আনবিধক অদৃশ্যমান পোহৰৰ ৰশ্মি বোলে। এনে পোহৰৰ ৰশ্মিয়ে দেখাত সহায় নকৰে। ইয়াৰ ভিতৰত অতিবেঙুণীয়া ৰশ্মি, ৰঞ্জন ৰশ্মি, অৱলোহিত ৰশ্মি আদি প্ৰধান। অতি বেঙুণীয়া ৰশ্মি আৰু অবলোহিত ৰশ্মি আমাৰ চকুৰ বাবে ক্ষতিকাৰক। সূৰ্য গ্ৰহণৰ সময়ত সূৰ্যৰপৰা কোনো নতুন ৰশ্মি নোলায়। সাধাৰণ অৱস্থাত আমি সূৰ্যৰফালে বহু সময় ধৰি চাই থাকিব নোৱাৰো। চকু চাট মাৰি ধৰে। সেয়েহে ক্ষতিকাৰক ৰশ্মিবোৰৰপৰা আমাৰ চকু ৰক্ষা পৰে। সূৰ্য গ্ৰহণৰ সময়ত সূৰ্যৰ উজ্জ্বলতা হ্ৰাস পায়। সেয়েহে সূৰ্যৰ ফালে বহু সময় চাই থাকিব পাৰি। এনে কৰিলে ক্ষতিকাৰক ৰশ্মিসমূহ আমাৰ চকুত সোমাই চকুৰ ক্ষতিসাধন কৰে। সেয়েহে চাট মাৰি নধৰিলেও সূৰ্যগ্ৰহণৰ সময়ত সূৰ্যৰ ফালে চাই থাকিব নালাগে।

- **ৰেল আলিৰ চিৰিত কাণখন লগাই শুনিলে দূৰৈত থকা ৰেল এখনৰ শব্দও শুনিবলৈ পোৱা যায় কিয় ?**

☞ ৰেল গাড়ীখনৰ শব্দ ৰেলৰ চিৰি আৰু বায়ু এই দুয়োবিধ পদাৰ্থৰ মাজেৰে আগবাঢ়ে। বায়ুৰ মাজেৰে শব্দ আহিলে সেই শব্দৰ শক্তি লাহে লাহে কমি আহে আৰু এসময়ত নুশুনা হৈ যায়। ৰেলৰ চিৰি তীখাৰে গঠিত। তীখাৰ মাজেৰে শব্দৰ বেগ বায়ুৰ মাজেৰে শব্দৰ বেগতকৈ বহুগুণে বেছি। আনহাতে তীখাৰ মাজেৰে শব্দই গতি কৰিলে তাৰ শক্তিৰ হ্ৰাসৰ হাৰ যথেষ্ট কম। সেয়েহে তীখাৰ মাজেৰে শব্দই বেছি দূৰলৈ গতি কৰিব পাৰে। সেয়েহে চিৰিত কাণ পাতি শুনিলে বহু দূৰৈত থকা ৰেলগাড়ীখনৰো শব্দ শুনা যায়। ❖